সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ৪০ সংখ্যা, ১৯ আহিন , ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 40 Date Of Publication - 6 October 2024 Rs.10.00/-

## নিয়াই গোৱালপাৰা আৰু ধুবুৰীৰ পৰা আটক কৰিলে ১০ সন্দেহযুক্ত সন্ত্ৰসবাদীক

ৰঙিলী বাৰ্ত্তাসেৱা- বিগত দীৰ্ঘসময় ধৰি জম্মু- কাশ্মীৰৰ লগতে দেশৰ ৰাজধানী দিল্লীত বিভিন্ন কূটাঘাতমূলক কাৰ্যকলাপ সংঘটিত কৰা পাকিস্তান মদতপুষ্ট জইছ-ই-মহম্মদে অসমতো জাল পেলাইছে। মুখ্যতঃ সন্ত্ৰাসবাদী সংগঠনটোৰ ছফ্‌ট টাৰ্গেট হৈছে নামনি অসম। উল্লেখ্য যে ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা, চমুকৈ 'নিয়া' আৰু এছটিএফৰ যুটীয়া অভিযানত গোৱালপাৰা জিলাত ৯জন আৰু হোজাইত ১জন মুঠ ১০জন জইছ-ই-মহম্মদৰ সদস্য তথা লিংকমেন জালত পৰে। মন কৰিবলগীয়া যে সন্ত্ৰাসবাদী সংগঠনটোৱে যোৱা সময়ছোৱাত সাংগঠনিক শক্তি বৃদ্ধিৰ লক্ষ্যৰে দেশৰ কেইখনমান ৰাজ্যক বিশেষ লক্ষ্য কৰি লৈছিল। সেই উদ্দেশ্যে সংগঠনটোৰ সদস্যভৰ্তি তথা মৌলবাদী কাৰ্যকলাপৰ প্ৰতি আকৰ্ষণ কৰাৰ লক্ষ্যৰে সংগঠনটোৰ একাংশই চলাই গৈছিল কাৰ্যকলাপ। চোৰাংচোৱা সংস্থাই লাভ কৰা এই তথ্যৰ ভিত্তিতে 'নিয়া'ই দেশৰ ৫খন ৰাজ্যৰ ২২টা স্থানত একে সময়তে চলালে অভিযান। মহাৰাষ্ট্ৰ, দিল্লী, জম্মু-কাশ্মীৰ, উত্তৰ প্ৰদেশ আৰু অসমত চলোৱা অভিযানত অসমৰ গোৱালপাৰা আৰু হোজাই জিলাত 'নিয়া' আৰু এছটিএফৰ হাতত গ্ৰেপ্তাৰ হয় ১০জন জইছ-ই-মহম্মদৰ সদস্য আৰু লিংকমেন। উল্লেখ্য যে যোৱা ২ অক্টোবৰত জইছ-ই-মহম্মদে ৰাজস্থানৰ ৮টা ৰে'ল




ষ্টেচন বিস্ফোৰণেৰে উৰাই দিয়াৰ ভাবুকি দিছিল। ৰাজস্থানৰ হনুমানগড় ৰে'ল ষ্টেচনত এখন ভাবুকি-পত্ৰ উদ্ধাৰ হৈছিল। এই পত্ৰতে জইছ-ই-মহম্মদে ৰাজ্যখনৰ গংগানগৰ, হনুমানগড়, যোধপুৰ, বিকানেৰ, কোটা, বুন্দী, উদয়পুৰ আৰু জয়পুৰ ৰে'ল ষ্টেচন বোমাৰে উৰুৱাই দিয়াৰ ভাবুকি দিছিল। ইফালে এছটিএফ আৰু 'নিয়া'ই কাহিলীপুৱাতে অসমৰ গোৱালপাৰা জিলাৰ টুকুৰা আৰু বলবলাত অভিযান চলাই ৯জন লোকক গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰ কৰা আটাইকেইজনকে গোৱালপাৰা থানাত জেৰা অব্যাহত ৰাখিছে 'নিয়া'ই। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি জইছ-ই-মহম্মদৰে সম্পৰ্ক ৰখা তথা সন্ত্ৰাসবাদী সংগঠনটোৰ শ্লিপাৰ চেল হিচাপে কাম কৰা এই লোককেইজনে বিগত সময়ছোৱাত মৌলবাদী কাৰ্যকলাপ অব্যাহত ৰাখিছিল সংখ্যালঘু অধ্যুষিত গাঁওসমূহত। নিয়া'ই চলোৱা অভিযানত লোককেইজনৰ বাসগৃহত তালাচী চলাই ম'বাইল ফোনৰ লগতে আপত্তিজনক নথি-পত্ৰ আৰু আৰবীত লিখা পুস্তিকাও জব্দ কৰা হৈছে। 'নিয়া' আৰু এছটিএফে হোজাই জিলাতো গোপন তথ্যৰ

(দহ পৃষ্ঠাত চাওক)

## 'নিয়া'ৰ অভিযানে স্পষ্ট কৰে যে অসমত মৌলবাদী শক্তি এতিয়াও লুকাই আছেঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- গোৱালপাৰা জিলাত ৯জন আৰু হোজাইত ১জন লোকক সন্ত্ৰাসবাদী সংগঠন জইছ-ই-মহম্মদৰ সৈতে জড়িত থকাৰ অভিযোগত 'নিয়া'ই গ্ৰেপ্তাৰ কৰা ঘটনাই ৰাজ্যজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে । 'নিয়া'ৰ অভিযানক লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে 'নিয়া'ৰ এই অভিযানে স্পষ্ট কৰে যে অসমত মৌলবাদী শক্তি এতিয়াও লুকাই আছে। বিশেষকৈ নামনি অসমত ১০জন লোকক 'নিয়া'ই কৰা গ্ৰেপ্তাৰে আকৌ এবাৰ প্ৰমাণ কৰিছে যে মৌলবাদীৰ পৰা যি প্ৰত্যাহ্বান আহিছে, ই দৰাচলতে প্ৰকৃত। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়- বহু সময়ত এনেবোৰ কথা ক'লে এচাম মানুহে আমাক টুলুঙা বক্তব্য কোৱা বুলি কটাক্ষ কৰিছিল। কিন্তু বাৰে বাৰে প্ৰমাণ হৈ আহিছে যে আমি যি কথা কৈছোঁ, সি সঁচা। যেতিয়া 'নিয়া'ই ৰাষ্ট্ৰজুৰি অভিযান চলায়, তেতিয়াই অসমত এজন নহয় এজন এনে লোক ধৰা পৰেই। অসমত যে মৌলবাদী শক্তি সোমাই আছে সেয়া প্ৰমাণ হোৱাৰ পাছত আমি সাৱধানে থকাৰ প্ৰয়োজন আছে। শেহতীয়াকৈ সোণাপুৰৰ উচ্ছেদৰ সময়ত যি শ্লোগান ব্যৱহাৰ কৰা হৈছিল সেইবিলাকে প্ৰমাণ কৰে যে ক'ৰবাত নহয় ক'ৰবাত মৌলবাদীৰ মানসিকতা এটা অসমত নিৰ্মাণ কৰি থকা হৈছে। সোণাপুৰৰ ঘটনা আৰু গোৱালপাৰাত গ্ৰেপ্তাৰৰ ঘটনাই এইটোকে প্ৰমাণ কৰিছে যে অসমত অহা ১০-১৫ বছৰত খিলঞ্জীয়া লোকসকলে গভীৰ অনিশ্চয়তাত বাস কৰিব লাগিব।

(দহ পৃষ্ঠাত চাওক)

সম্পাদকীয় শিতান....

## উপাসনাস্থলী বনাম ৰাজনীতি

দেৱাশীষ গোস্বামী, নগাওঁ

ক্ৰমবিৱৰ্তনৰ যুগৰে পৰা নেদেখা এক 'অদৃশ্য শক্তি'ৰ আৰাধনা ভিন ভিন ধৰণে, ভিন ভিন ৰূপত চলি আহিছে। 'অদৃশ্য শক্তি'ৰ উপাসনা লজ্জা নিবাৰণৰ অৰ্থে বল্কল পিন্ধিবলৈ আৰম্ভ কৰাৰ আগৰে পৰা প্ৰত্যক্ষ কৰা যায়। মুষ্টিমেয় কিছু সংখ্যকক বাদ দি এক ঐশ্বৰিক শক্তিক বিভিন্ন ৰূপত স্বীকাৰ কৰি সেই অদৃশ্য শক্তিৰ সন্মূখত আমাৰ সৰ্বাঙ্গীন উন্নতি তথা নিজৰ লগতে প্ৰিয়জনৰ সুৰক্ষাৰ স্বাৰ্থত শিৰনত কৰো। আমি কৰা সকলো কৰ্মৰ ফল এই নেদেখাজনেই নিৰ্ধাৰণ কৰে বুলি অন্তঃকৰনেৰে বিশ্বাস কৰো। আমাৰ সমাজত অদৃশ্য এই ঐশ্বৰিক শক্তিক ধৰ্ম ভেদে স্থান বিশেষে ভগৱান, আল্লা, ৱাহেগুৰু, যিচু আদি বিভিন্ন ৰূপত আমি আৰাধনা কৰো তথা তেখেত সকলৰ আশীষ পাবলৈ তেওঁলোকৰ শ্ৰী চৰণত নিজকে সম্পূৰ্ণৰূপে সমৰ্পিত কৰো। অতীজৰ এটা সময়ৰ মুক্ত আকাশৰ তলৰ উপাসনাস্থলী সমূহে কালক্ৰমত চাৰিবেৰৰ মাজত স্থান পালে ফলত প্ৰকৃতিয়েও ঈশ্বৰৰ আৰাধনাত ব্যাঘাত জন্মাব নোৱাৰা হৈ আহিলে আৰু আমিও অতি সহজে যি কোনো সম্মুখত মূৰ দোৱাব পৰা হ'লো।

বিভিন্ন বিবৰ্তনৰ মাজেদি আহি দুৰ্গম উপাসনাস্থলী সমূহে যথেষ্ট সহজ যাতায়তেৰে এক ন ৰূপত আত্মপ্ৰকাশ কৰিছে আৰু ফলত ভক্তৰ সোঁত বৈছে।

ৰাজহুৱা এই উপাসনাস্থলী সমূহক সৰ্বাঙ্গীন সুন্দৰ ৰূপত সজাই পৰাই তুলিবলৈ তথা নিয়াৰীকৈ চলাই নিবলৈ যথেষ্ট অৰ্থৰ প্ৰয়োজন। তেনে মহৎ উদ্দেশ্যক সৰোগত কৰিয়েই দান- দক্ষিণাৰ প্ৰচলন আৰম্ভ হ'ল তথা চৰকাৰেও

( দুই পৃষ্ঠাত চাওক)

# গুৱাহাটীৰ আঞ্চলিক গৱেষণা প্ৰতিষ্ঠান (হোমিঅ'পেথি)ৰ 'আয়ুস মন্ত্ৰালয়ৰ ১০০ দিনৰ কৃতিত্ব' শীৰ্ষক সংবাদমেলৰ আয়োজন

ৰঙিলী বাৰ্তাসেৱা- ভাৰত চৰকাৰৰ আয়ুস মন্ত্ৰালয়ৰ অধীনস্থ গুৱাহাটীৰ আঞ্চলিক গৱেষণা প্ৰতিষ্ঠান (হোমিঅ'পেথি)এ দিছপুৰ প্ৰেছ ক্লাৱত 'আয়ুস মন্ত্ৰালয়ৰ ১০০ দিনৰ কৃতিত্ব' শীৰ্ষক সংবাদমেলৰ আয়োজন কৰে। জনস্বাস্থ্য উন্নত কৰাৰ প্ৰতিশ্ৰুতিৰে গুৱাহাটীৰ আঞ্চলিক গৱেষণা প্ৰতিষ্ঠান (হোমিঅ'পেথি)এ কেইবাটাও ক্লিনিকেল প্ৰকল্প আৰম্ভ কৰিছে। ইয়াৰ ভিতৰত এলাৰ্জিক নাকৰ ৰোগ, ক্ৰনিক আৰ্টিকেৰিয়া, হাইপ'থাইৰয়ডিজম, অৰ্শৰ ওপৰত অধ্যয়ন, আমচং অঞ্চলৰ চাহ বাগিচাৰ শ্ৰমিকৰ স্বাস্থ্য উন্নতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা প্ৰকল্প আদি উল্লেখযোগ্য। ইয়াৰ সমান্তৰালকৈ প্ৰতিষ্ঠানটোৱে কেন্দ্ৰীয় হোমিঅ'পেথি গৱেষণা পৰিষদৰ ফ্লেগশ্বিপ প্ৰগ্ৰেম যেনে ড্ৰাগ প্ৰুভিং প্ৰগ্ৰেম আৰু ক্লিনিকেল ভেৰিফিকেচন প্ৰগ্ৰেমো চলাই আছে। প্ৰতিষ্ঠানটোৱে যক্ষ্মা ৰোগ ধৰা পেলোৱা আৰু চিকিৎসা প্ৰদান কেন্দ্ৰও স্থাপন কৰিছে। ইয়াৰ উপৰিও এই প্ৰতিষ্ঠানে সকলো কৰ্মদিনতে মাতৃ আৰু শিশুৰ বহিৰ্বিভাগ আৰু সাধাৰণ বহিৰ্বিভাগৰ সুবিধা প্ৰদান কৰিছে। সুলভ চৰকাৰী হাৰত ঔষধ প্ৰদান আৰু পৰীক্ষাগাৰৰ তদন্তৰ লগতে বিনামূলীয়া পৰামৰ্শও প্ৰদান কৰে। ইয়াত দৰিদ্ৰ সীমাৰেখাৰ তলৰ (বিপিএল) ৰোগীসকলে বিনামূলীয়া সেৱা লাভ কৰাৰ লগতে জ্যেষ্ঠ নাগৰিকসকলে পঞ্জীয়নৰ ক্ষেত্ৰত ৫০% ৰেহাই লাভ কৰে। অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত স্বাস্থ্য সম্পৰ্কীয় সজাগতা সৃষ্টিৰ ক্ষেত্ৰত গুৱাহাটীৰ আঞ্চলিক গৱেষণা প্ৰতিষ্ঠান (হোমিঅ'পেথি)এ বিশেষ সফলতা লাভ কৰিছে। প্ৰতিষ্ঠানটোৰ এছ চি এছ পি প্ৰগ্ৰেমৰ অধীনত স্কুল হেল্থ প্ৰগ্ৰেম, হোমিঅ'পেথী ফৰ হেল্থী চাইল্ড প্ৰগ্ৰেম আৰু স্বাস্থ্য শিবিৰ আদিয়ে প্ৰধান সফলতা লাভ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ত উদ্বোধন কৰা চাফাই মিত্ৰ স্বাস্থ্য শিবিৰ আৰু পুষ্টি শিক্ষা প্ৰদান কৰা পোষণ মাহ কাৰ্যসূচীয়ে এই ক্ষেত্ৰত




যথেষ্ট অনুপ্ৰেৰণা যোগাইছে। এই পদক্ষেপসমূহৰ অধীনত স্তনপান আৰু শিশুৰ পুষ্টিৰ দৰে বিষয়সমূহৰ ওপৰত বিভিন্ন স্বাস্থ্য সজাগতা আলোচনাৰ আয়োজন কৰা হৈছিল। যোৱা ১০০ দিনত গুৱাহাটীৰ আঞ্চলিক গৱেষণা প্ৰতিষ্ঠান (হোমিঅ'পেথি)এ ক্লিনিকেল, মৌলিক আৰু ঔষধৰ মানকৰণৰ ক্ষেত্ৰত ৪৫টা নতুন গৱেষণামূলক অধ্যয়ন আৰম্ভ কৰিছে। আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠান যেনে ব্ৰিটেইনৰ ৰয়েল লণ্ডন হাস্পতাল অৱ ইন্টিগ্ৰেটেড মেডিচিনৰ সৈতে সহযোগিতা এক গুৰুত্বপূৰ্ণ কৃতিত্ব। কেন্দ্ৰীয় গৱেষণা পৰিষদ হোমিঅ'পেথিয়ে ২০খন স্বাস্থ্য প্ৰতিষ্ঠানত আয়ুষ হস্পিতাল ব্যৱস্থাপনা তথ্য ব্যৱস্থা (এ-এইচএমআইএছ) ৰূপায়ণ কৰিছে। যোৱা ১০০ দিনৰ ভিতৰত ১ লাখ ৫০ হাজাৰৰো অধিক ৰোগী ইয়াত পঞ্জীয়নভুক্ত হৈছে। কেন্দ্ৰীয় হোমিঅ'পেথি গৱেষণা পৰিষদে ৪৯ খন ৱেবিনাৰ অনুষ্ঠিত কৰি বিশ্বজুৰি ১৬, ০০০ ৰো অধিক অংশগ্ৰহণকাৰীৰ কাষ চাপিছে। যাৰ ফলত আজি হোমিঅ'পেথিক চিকিৎসাই বিশ্বজনীন প্ৰসাৰতা লাভ কৰিছে। উক্ত অনুষ্ঠানটো গুৱাহাটীৰ আঞ্চলিক গৱেষণা প্ৰতিষ্ঠান (হোমিঅ'পেথি)ৰ ভাৰপ্ৰাপ্ত বিষয়া ডাঃ অমূল্য ৰত্ন চাহুৰ অধ্যক্ষতাত অনুষ্ঠিত হয়। তেওঁৰ সৈতে উপস্থিত থাকে গৱেষক ডাঃ লিয়ি কাৰ্ছো আৰু ডাঃ মনীতৰ লগতে প্ৰতিষ্ঠানটোৰ অন্যান্য বিষয়ববীয়াসকল।

# বিয়ালৈ ৪ দিন থাকোঁতে ৰহস্যজনক ভাৱে মৃত্যুক সাবটি ল'লে ধনমণিয়ে

ৰঙিলী বাৰ্তাসেৱা- এক মৰ্মান্তিক ঘটনাই জোকাৰিছে মঙলদৈৰ লগতে সমগ্ৰ ৰাজ্য। সোমবাৰে ধনমণিৰ বিয়া। ঘৰত উখল-মাখল পৰিবেশ, বিবাহৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ। সাজু বিবাহ ভৱন, ১২ বছৰীয়া প্ৰেমক স্বীকৃতি দিবলৈ সাজু হৈছিল ধনমণি। কিন্তু বিয়ালৈ মাজত মাত্ৰ চাৰিদিন বাকী থকা সময়তে ৰহস্যজনকভাৱে মৃত্যুক সাবটি ল'লে ধনমণি ভট্টাচাৰ্য নামৰ মঙলদৈৰ যুৱকজনে। ধনমণি গুৱাহাটীলৈ গৈছিল নিজৰ বিয়াৰ বাবে আত্মীয়ক নিমন্ত্ৰণ দিবলৈ। বিয়াৰ নিমন্ত্ৰণ দি বিয়লিলৈ ঘৰত



উপস্থিত হোৱাৰ কথা আছিল ধনমণিৰ। কিন্তু ধনমণি ঘৰ আহি নাপালেহি। কামাখ্যা ৰে'লৰে ষ্টেচনৰ সমীপত উদ্ধাৰ ধনমণিৰ মৃতদেহ। ৭ অক্টোবৰত আছিল ধনমণিৰ বিয়া। ইতিমধ্যে বিয়াৰ সকলো প্ৰস্তুতি সম্পন্ন হৈছে। পেণ্ডেলৰ কামো আৰম্ভ হৈছে। বিয়াৰ বজাৰো সকলো হৈছে। বিয়াৰ বাবে ঘৰখন উখল-মাখল। কিন্তু তাৰ মাজতে আত্মীয়ক বিয়াৰ নিমন্ত্ৰণ দিবলৈ অহা ধনমণিৰ মৃতদেহ পৰিৰ'ল ৰে'ল লাইনত। ঘটনাক লৈ ৰহস্য। একাংশৰ মতে, এয়া চৰম সিদ্ধান্ত, কিন্তু পৰিয়াল তথা বন্ধু বৰ্গৰ মতে কোনো দুৰ্বৃত্তই ধনমণিক হত্যা কৰি চৰম সিদ্ধান্তৰ ৰূপ দিছে। ইফালে, এই মৰ্মান্তিক খবৰ লাভ কৰাৰ পিছতে এতিয়া শোকত ম্ৰিয়মাণ হৈ পৰিছে হ'বলগীয়া কইনাৰ ঘৰখনো। ধনমণিৰ মৃত্যুৰ খবৰ সহজভাৱে ল'ব পৰা তেওঁৰ কইনাই।

# অসমৰ ৮বিধ থলুৱা সামগ্ৰীয়ে লাভ কৰিলে জি আই টেগ



ৰঙিলী বাৰ্তাসেৱা- পুনৰ অসমৰ ৮বিধ থলুৱা সামগ্ৰীয়ে লাভ কৰিলে জি আই টেগ। চেন্নাইস্থিত জিঅ'গ্ৰাফিকেল ইণ্ডিকেচন ৰেজিষ্ট্ৰীয়ে এই পৰম্পৰাগত সামগ্ৰী কেইবিধলৈ আগবঢ়ালে জি আই টেগ। এই ৮ প্ৰকাৰৰ সামগ্ৰী হৈছে মূলতঃ বড়ো জনগোষ্ঠীৰ চাৰিবিধ পৰম্পৰাগত খাদ্য-তিনিবিধ পানীয় আৰু এবিধ বস্ত্ৰ। Bodo Traditional Brewers Association য়ে তিনি প্ৰকাৰৰ থলুৱা পানীয়ক জি আই টেগ দিবৰ বাবে আবেদন কৰিছিল। এই তিনি প্ৰকাৰৰ থলুৱা পানীয় হৈছে বড়োসকলৰ পৰম্পৰাগত বড়ো জৌ গোৱৰণ, মাইব্ৰা জৌ বিদ্বি আৰু বড়ো জৌ গিছি। Association of Traditional Food Products য়ে মুঠ চাৰিটা খাদ্য সামগ্ৰীৰ বাবে জি আই টেগ বিচাৰি আবেদন কৰিছিল। এই চাৰিওটা সামগ্ৰীয়েই জি আই টেগ লাভ কৰিছে। এই খাদ্য সামগ্ৰীৰ ভিতৰত আছে বড়ো নাফাম, বড়ো অনলা, বড়ো গোৱাখাও আৰু বড়ো নাৰ্জী। শুকান মাছৰ দ্বাৰা প্ৰস্তুত কৰা হয় বড়ো নাফাম। বড়ো লোকসকলে বিভিন্ন কৌশল ব্যৱহাৰ কৰি মাছ সংৰক্ষণ কৰি আহিছে। যাৰ ভিতৰত আছে ধোঁৱাৰে শুকোৱাই, ৰ'দত শুকোৱাই, নিমখ দি, মছলা আদি সানি মাছ শুকুৱাই দীৰ্ঘদিনলৈ সংৰক্ষণ কৰাৰ ব্যৱস্থা। আন এবিধ খাদ্য হৈছে বড়ো অনলা। এই খাদ্য বিধ নহৰু, আদা, নিমখ আৰু খাৰৰ জৰিয়তে পিঠাগুৰিৰে তৈয়াৰ কৰা হয়। বৈখাণ্ড উৎসৱৰ সময়ত প্ৰস্তুত কৰা বড়ো গোৱাখাও লাভ কৰিছে জি আই টেগ। বড়ো গোৱাখাক গোৱাকা গোৱাখি বুলিও জনা যায়। মৰাপাটৰ পৰা প্ৰস্তুত কৰা খাদ্য বড়ো নাৰ্জীয়েও লাভ কৰিছে জি আই টেগ। এই খাদ্য স্বাস্থ্যৰ বাবে অতি উপযোগী বুলি বিশ্বাস কৰা হয়। এয়া প্ৰচুৰ পৰিমাণে ফেটি এচিড, ভিটামিন, কেলচিয়াম আৰু মেগনেছিয়ামেৰে সমৃদ্ধ। এই কেইবিধ খাদ্য-পানীয়ৰ উপৰি জিআইটেগ লাভ কৰিবলৈ সক্ষম হৈছে জনগোষ্ঠীটোৱে ব্যৱহাৰ কৰা অতি জনপ্ৰিয় গলবস্ত্ৰ আৰনাই। বড়োসকলে আৰনাই প্ৰধানতঃ উৎসৱ-পাৰ্বন আৰু তেওঁলোকৰ পৰম্পৰাগত নৃত্যৰ সময়ত পৰিধান কৰে। এই আৰনাইত ফুটি উঠে প্ৰকৃতিৰ ৰূপ।

# ডিব্ৰুগড়ত পুত্ৰৰ হাতত প্ৰাণ গ'ল মাতৃৰ

ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ৰ বাণীপুৰত সংঘটিত হৈছে এক নৃশংস হত্যাকাণ্ড। নিজ পুত্ৰৰ হাতত প্ৰাণ গ'ল মাতৃৰ । হত্যাকাৰী পুত্ৰৰ নাম শংকৰজ্যোতি গগৈ। ডিব্ৰুগড়ৰ বাণীপুৰস্থিত ১১ নং বাইলেনত শুকুৰবাৰে নিশা সংঘটিত হয় এই ঘটনা। নিজ বাসগৃহৰ ভিতৰতেই মাতৃক ডিঙি চেপি হত্যা কৰে কুলাংগাৰ পুত্ৰই। দুৰ্ভগীয়া মাতৃগৰাকীৰ নাম পূৰ্ণিমা গগৈ বুলি স্থানীয় লোকে জানিবলৈ দিছে। ঘটনাৰ পাছতে নিশাই গাভৰুপথাৰ থানাৰ আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি অভিযুক্ত পুত্ৰক গ্ৰেপ্তাৰ কৰে।

# উপাসনাস্থলী বনাম

বিভিন্ন পদক্ষেপ লবলৈ ধৰিলে। পিছে অথন্তৰ তেতিয়াই আৰম্ভ হ'ল, যেতিয়া উপসনাস্থলী সমূহ ব্যৱসায়স্থলীলৈ পৰ্য্যবসিত হ'বলৈ ধৰিলে। এক অপ্ৰিয় সত্য, দেশৰ বিভিন্ন উপাসনা স্থলীলৈ গৈ বিভিন্ন সময়ত ভক্ত সকলে নানান আহুকালৰ সন্মুখীন হ'বলগীয়া হয়। সন্মুখীন হ'বলগীয়া হয় এনে কিছুমান অনাকাংক্ষিত পৰিস্থিতি য'ত পদে পদে মাথো অপমান তথা তিৰস্কাৰ। আকৌ এনে কিছুমান উপাসনা স্থলী আছে য'ত ৰাজনীতিৰ হাঁতোৰা এনেদৰে প্ৰসাৰিত যে সাধাৰণ ৰাইজে মাত মতাটো এক ধৃষ্ঠতা মাথোন।

ঈশ্বৰ হ'ল সত্য আৰু সুন্দৰৰ প্ৰতীক। ঈশ্বৰৰ প্ৰকৃত আৰাধনাই প্ৰদান কৰে আমাক অনাবিল আনন্দ, সুখ আৰু মানসিক শান্তি।

ঈশ্বৰৰ আৰাধনাৰ বাবে গঢ় লৈ উঠা উপসনাস্থলী সমূহেই যথেষ্ট সংখ্যক পৰিয়ালৰ উৰ্পাজনৰ মূল উৎস।

অভিজ্ঞ , পৰিপক্ক পৰিচালকৰ অভাৱত যি কোনো ধৰণৰ অনুষ্ঠান প্ৰতিষ্ঠানেই নহওঁক কিয় অধোগতি ধ্ৰুৱপ। ঠিক সেইদৰেই উপাসনাস্থলী সমূহত সঘনাই দেখিবলৈ পোৱা খোৱা-কামোৰা, খাম খেয়ালী সমূহে তথা ৰাজনৈতিক মেৰপাকে এই উপাসনাস্থলী সমূহলৈ দুৰ্নামৰ পথ প্ৰশস্থ কৰি তোলে। অতি বেছি দুৰ্ভাগ্যজনক এনে পৰিস্থিতিৰ যাতে উদ্ভৱ নহয় তাৰ বাবে উপাসনাস্থলী সমূহক ব্যৱসায়স্থলীলৈ পৰ্য্যবসিত নকৰি কেৱল মাত্ৰ উপাসনাস্থলীতেই সীমাবদ্ধ ৰখাতো আমাৰ সকলোৰে একান্ত কাম্য য'ত কেৱল যাতে আধ্যাত্মিকতাই হে স্থান পায়।

# দৰঙত গান্ধী জয়ন্তী উদযাপন



ৰঙিলী বাৰ্ত্তাসেৱা- দৰং জিলা প্ৰশাসনৰ উদ্যোগত আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহযোগত মঙলদৈত অৱস্থিত গান্ধী স্মৃতি উদ্যানত বিভিন্ন কাৰ্যসূচীৰে গান্ধী জয়ন্তী উদযাপন কৰা হয়। এই উপলক্ষে জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতি আৰু মঙলদৈ-ওদালগুৰি সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই গান্ধী স্মৃতি উদ্যানখনত থকা গান্ধী বেদীত বন্তি প্ৰজ্বলন আৰু পুস্পাঞ্জলি অৰ্পণ কৰি জাতিৰ পিতালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সভাত সাংসদ দিলীপ শইকীয়াই ভাষণ প্ৰদান কৰি কয় যে মহামানৱ মহাত্মা গান্ধীৰ সত্য, অহিংসা আৰু ন্যায়ৰ আদৰ্শৰে আমি চলিবই লাগিব ।এই পথত চলিবলৈ হ'লে সমাজখনত এটা মানসিকতাৰ পৰিৱৰ্তন হোৱাৰ প্ৰয়োজন আছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শ আজিও প্ৰাসংগিক আৰু ভৱিষ্যতেও থাকিব বুলি কয়। উক্ত অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে দৰঙৰ জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিয়ে । জিলা আয়ুক্তগৰাকীয়ে কয় যে মহামানৱ মহাত্মা গান্ধীয়ে সম্ভ্ৰান্ত ঘৰৰ লোক হোৱাৰ পিছতো দেশৰ দৰিদ্ৰ, নিষ্পেষিত, পৰাধীন জনতাৰ বাবে সকলো ত্যাগ কৰিছিল। তেওঁ মহাত্মা গান্ধীয়ে অহিংসাৰ নীতিৰে বৃটিছ ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ বিষয়ে ভাষণত উল্লেখ কৰে। গান্ধী জয়ন্তী উদযাপন কাৰ্যসূচীত কলাইগাওঁ মহাবিদ্যালয়ৰ অধ্যক্ষ বসন্ত শইকীয়াই গান্ধী জয়ন্তীৰ তাৎপৰ্য ব্যাখ্যা কৰি মহামানৱ গৰাকীৰ জীৱন, আৰু ভাৰতৰ স্বাধীনতা সংগ্ৰামত তেওঁৰ নেতৃত্বৰ বিষয়ে বিস্তাৰিত ব্যাখ্যা আগবঢ়ায়। উক্ত সভাত ভজন পৰিৱেশন, সৰ্বধৰ্ম প্ৰাৰ্থনা সভা আদিও অনুষ্ঠিত হয়। আনহাতে গান্ধী স্মৃতি উদ্যানত আয়োজিত গান্ধী জয়ন্তী উদযাপন কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। সভাত মঙলদৈ

*(দহ পৃষ্ঠাত চাওক)*

# গান্ধী জয়ন্তী উপলক্ষে সৰ্বানন্দ সোণোৱালে গান্ধীজীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাৰ্ঘ অৰ্পণ



ৰঙিলী বাৰ্ত্তাসেৱা- 'গান্ধী জয়ন্তী' উপলক্ষে নামৰূপত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে গান্ধীজীৰ প্ৰতিমূৰ্তিত গভীৰ শ্ৰদ্ধাৰ্ঘ অৰ্পণ কৰে। তেওঁ উল্লেখ কৰে, "বাপুজীৰ শান্তি-সমন্বয় আৰু অহিংসাৰ অমৰ বাণী তথা অতুলনীয় আদৰ্শই এখন শক্তিশালী সমাজ গঢ়াৰ বাবে আমাক সদায়ে প্ৰেৰণা যোগাই যাব। মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শ, অতুলনীয় কৰ্মৰাজি আৰু বৰ্ণাঢ্য জীৱনগাথাই প্ৰতিজন ভাৰতীয়ৰ লগতে বিশ্ববাসীক অনুপ্ৰাণিত কৰি আহিছে। "আন্তঃৰাষ্ট্ৰীয় অহিংসা দিৱস", "গান্ধী জয়ন্তী"ৰ পৱিত্ৰ ক্ষণত গান্ধীজীক পৰম শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।"

# শুৱালকুছিত ৰাজ মহিম নাথৰ ভক্তিমুলক গীত উন্মোচন



ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ জিলাৰ অন্তৰ্গত শুৱালকুছিত ২ অক্টোবৰত ঈশ্বৰ শ্ৰী শ্ৰী হাটী সত্ৰৰ উদ্যোগত যুৱ সমাৰোহ অনুষ্ঠিত হৈ যায়। উক্ত অনুষ্ঠানত কণ্ঠশিল্পী ৰাজ মহিম নাথৰ "গুৰুজন আহিব ভকতসৱ ৰৈ আছে" শীৰ্ষক এটি অসমীয়া ভক্তিমূলক গীত উন্মোচন কৰা হয়। মহৎ অনুষ্ঠানটোৰ উন্মোচনী সভাত উপস্থিত থাকে, ঈশ্বৰ শ্ৰী শ্ৰী হাটী সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ ৰাজীৱ লোচন সন্ত, বিশিষ্ট চিন্তাবিদ তথা মননশীল লেখক ময়ুৰ বৰা, ঈশ্বৰ শ্ৰী শ্ৰী হাটী সত্ৰৰ ডেকা সত্ৰীয়া উজ্বল মহন্ত, আৰু বহুতো গুণী-জ্ঞানী লোকসকল। অনুষ্ঠানটো সঞ্চালন কৰে, বিশিষ্ট সাহিত্যিক তথা প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ ৰসায়ন বিভাগৰ সহকাৰী অধ্যাপক ড° পৰশমণি দাসে। সভাত ময়ুৰ বৰা দেৱে গীতটোৰ কথা-সুৰ- কণ্ঠ আদি সুন্দৰ হোৱা বুলি মত ব্যক্ত কৰাৰ লগতে বুঢ়া সত্ৰাধিকাৰ ৰাজীৱ লোচন সন্ত আৰু ড° পৰশমণি দাসে কণ্ঠশিল্পী ৰাজ মহিম নাথৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে। গীতটোৰ জৰিয়তে নৱপ্ৰজন্মৰ কণ্ঠশিল্পী নাথে ভকত বৈষ্ণৱৰ মৰম আৰু আশীৰ্বাদ বুটলিবলে সক্ষম হয়।

# ছয়গাঁওৰ পটৰীখাটত অন্তৰংগ গোষ্ঠীৰ উদ্যোগত গান্ধীজয়ন্তী উদযাপন



ৰঙিলী বাৰ্ত্তাসেৱা- ছয়গাঁওৰ পটৰীখাটত অন্তৰংগ গোষ্ঠীৰ উদ্যোগত আৰু পটৰীখাট ৰাইজ গয়ৰহ আৰু মহিলা গোষ্ঠীৰ সহযোগত দিনযোৰা কাৰ্যসূচীৰে ২ অক্টোবৰ তাৰিখে গান্ধীজয়ন্তী পালন কৰা হয়। উক্ত অনুষ্ঠানত প্ৰথমতে পতাকা উত্তোলন কৰে, দীপক চৌধুৰীয়ে, বন্তি প্ৰজ্বলন কৰে ৰামচৰণ ঠাকুৰীয়াই, মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে ধনীৰাম সাউদে, শ্বহীদ তৰ্পন কৰে তাৰিণীচৰণ সাউদে আৰু বৃক্ষৰোপণ কৰে ক্ৰমে শংকৰ ঠাকুৰীয়া, গনেশ ঠাকুৰীয়া, শৰৎ সাউদ, ভাৰত সাউদ, বুবুল সাউদ আৰু জ্যোতিষ সাউদে, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, চিত্ৰাংকন প্ৰতিযোগিতা, সদৌ অসম ভিত্তিত কুইজ প্ৰতিযোগিতা, ভেশচন প্ৰতিযোগিতা আদি কাৰ্যসূচীৰে শেষত মুকলি সভা অনুষ্ঠিত কৰা হয়। কুইজ প্ৰতিযোগিতাৰ পৰিচালক ক্ৰমে জিণ্টু ঠাকুৰীয়া, ডাৱৰমনি ওজা আৰু সঞ্জীৱ দাস। মুকলি সভাত অতিথিৰ ভাষণৰ লগতে প্ৰতিযোগিতাৰ বিজয়ীসকলক বঁটা প্ৰদান কৰা হয়। শিশু শিল্পীসকলে নৃত্য কৰিও অনুষ্ঠানটি সাফল্যমণ্ডিত কৰিছে।গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা তথা পটৰীখাট গাঁওৰ সঞ্জীৱ দাসৰ তৎপৰতাত, টুটুমনি দাস, বিৰাজ সাউদকে আদি কৰি পটৰীখাটৰ বহুজন লোকৰ পূৰ্ণ সহযোগিতাত অনুষ্ঠানটি জাকত জিলিকা হৈ পৰে। অনুষ্ঠানত সভাপতিত্ব কৰে গাঁওৰে সমাজকৰ্মী মদন চৌধুৰীয়ে, নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ ৰাখে ছয়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক উপেন ডেকা, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ছয়গাঁওৰ জ্যেষ্ঠ সাংবাদিক তথা NKTV ৰ সাংবাদিক বিশ্বজিৎ দাস, বনবিষয়া দীপক চৌধুৰী আৰু অনুপমা অঞ্জ লি মাহেকীয়া আলোচনীৰ মুখ্য সম্পাদক ড° শেৱালি দাস কলিতা। শেষত অধিবক্তা সঞ্জীৱ দাসে শলাগৰ শৰাই আগবঢ়াই।

# আদানি গোষ্ঠীক ৯ হাজাৰ বিঘা ভূমি আবন্টনৰ বিৰুদ্ধে আপৰ সংবাদমেল




ৰঙিলী বাৰ্ত্তাসেৱা- ডিমা হাছাও জিলাৰ উমৰাংছুত প্ৰাকৃতিক পৰিৱেশ বিনষ্ট কৰি এটাৰ পাছত আনটো চিমেন্ট কাৰখানা স্থাপনৰ বিৰুদ্ধে সৰৱ হ'ল আম আদমী পাৰ্টিৰ মুখপাত্ৰ পুনম গগৈ। গুৱাহাটীৰ গণেশগুৰিস্থিত আপৰ ৰাজ্যিক কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত দলৰ নেত্ৰীগৰাকীয়ে কয়, " বৰ্তমানৰ চৰকাৰে ডিমা হাছাও জিলাৰ খিলঞ্জীয়া জনসাধাৰণক নিজৰ ভেটি - মাটিৰ পৰা উচ্ছেদ কৰি সেই মাটি পুঁজিপতিক গতাই দিব বিচাৰিছে। উমৰাংছুৰ ৯ হাজাৰ বিঘা মাটি গুজৰাটৰ ব্যৱসায়ী গৌতম আদানিৰ চিমেন্ট কাৰখানা স্থাপনৰ বাবে আবন্টন দিছে। উমৰাংছু অঞ্চলৰ ডিমাছা, কুকি, কাৰ্বি আদি জনগোষ্ঠীৰ শ শ পৰিয়ালক উচ্ছেদ কৰি পুঁজিপতিৰ স্বাৰ্থ সিদ্ধি কৰিব বিচাৰিছে। এটা কথাত বিজেপিৰ ঘনিষ্ঠ গুজৰাটী বনিয়াৰ হাতত বিজেপি চৰকাৰে খিলঞ্জীয়াৰ জাতি- মাটি - ভেটি বিক্ৰী কৰিবলৈ ওলাইছে। আমি আম আদমী পাৰ্টিয়ে চৰকাৰৰ খিলঞ্জীয়া বিৰোধী পদক্ষেপৰ তীব্ৰ বিৰোধিতা কৰিছোঁ।" সংবাদমেলত পুনম গগৈয়ে ডিমা হাছাও জিলাক উত্তৰ পূৰ্বাঞ্চলৰ ছুইজাৰলেণ্ডৰ সৈতে তুলনা কৰি অঞ্চলটোৰ মনোমোহা প্ৰাকৃতিক পৰিবেশৰ ওপৰত ভিত্তি কৰি

*(দহ পৃষ্ঠাত চাওক)*

# মাজুলীৰ আৰক্ষী থানা সমূহৰ নৱ গঠিত নাগৰিক সমিতিৰ সভা সম্পন্ন

ৰঙিলী বাৰ্ত্তাসেৱা- মাজুলী জিলাৰ মাজুলী আৰক্ষী থানা, কমলাবাৰী, গড়মূৰ আৰক্ষী থানা আৰু জেংৰাইমুখ আৰক্ষী থানাৰ নতুনকৈ গঠন হোৱা নাগৰিক সমিতিৰ আজি এখন সভা গড়মূৰ শ্ৰী শ্ৰী পীতাম্বৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়। জিলাখনৰ অতিৰিক্ত আৰক্ষী অধীক্ষক বিতুল চেতীয়া (মুখ্য কাৰ্যালয়) ই উদ্দেশ্য ব্যাখ্যা কৰা সভাত সভাপতিত্ব কৰে মাজুলী কমলাবাৰী আৰক্ষী থানা নাগৰিক সমিতিৰ সভাপতি দীপক গোস্বামীয়ে । উদ্দেশ্য ব্যাখ্যাত অতিৰিক্ত আৰক্ষী অধীক্ষক গৰাকীয়ে থানা কেইখনৰ নতুনকৈ গঠন হোৱা সমিতিৰ কৰণীয় আদি সম্পৰ্কে নৱ গঠিত সমিতিৰ বিষয়ববীয়া সকলক বুজাই কয় । সভাত মাজুলী জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে মুখ্য অতিথি হিচাবে অংশগ্ৰহণ কৰি ভাষণত আৰক্ষী আৰু জনসাধাৰণৰ মাজত সু-সম্পৰ্ক বৰ্তাই ৰাখি কিদৰে এখন অপৰাধমুক্ত সমাজ গঢ় দিব পাৰি তাৰ প্ৰতি চোকা দৃষ্টি



ৰাখিবলৈ আৰু থানা সমিতি সমূহ কৰ্মক্ষম হৈ দীৰ্ঘ স্থায়ী হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। জিলা আৰক্ষী অধীক্ষক বিবেকানন্দ দাসে নাগৰিক সমাজৰ কৰণীয় আৰু আৰক্ষী জনসাধাৰণৰ মাজত দূৰত্ব হ্ৰাস কৰি এখন নিকা সমাজ গঢ়াত এই সমিতিয়ে কাম কৰি যাব বুলি আশা প্ৰকাশ কৰে। সভাত জেংৰাইমুখ আৰক্ষী থানাৰ নাগৰিক সমিতিৰ সভাপতি নিতুল নাথ, নাগৰিক সমিতিৰ সদস্য শ্ৰী শ্ৰী পীতাম্বৰদেৱ গোস্বামী জিলা চিকিৎসালয়ৰ উপ-

*(দহ পৃষ্ঠাত চাওক)*

# সৰপাৰাত স্মৃতিগ্ৰন্থ “নাট্যশিল্পী চবিন চৌধুৰী শ্ৰদ্ধাৰ্ঘ” উন্মোচন



ৰঙিলী বাৰ্ত্তাসেৱা- দক্ষিণ কামৰূপৰ সৰপাৰাত সম্ভ্ৰান্ত প্ৰকাশন অনুষ্ঠান “পৰাগজ্যোতি প্ৰকাশন”ৰ উদ্যোগত বিশিষ্ট নাট্যকাৰ, পৰিচালক, অভিনেতা, সমাজসেৱী, খেলুৱৈ চবিন চৌধুৰীৰ পবিত্ৰ স্মৃতিত স্মৃতিচাৰণ সভা আৰু সাংবাদিক, কবি, লেখক দীপক শৰ্মা সম্পাদিত স্মৃতিগ্ৰন্থ “নাট্যশিল্পী চবিন চৌধুৰী শ্ৰদ্ধাৰ্ঘ” শীৰ্ষক গ্ৰন্থ উন্মোচন কৰা হয়। আদিতে চবিন চৌধুৰীৰ স্থিৰচিত্ৰত বন্তি প্ৰজ্বলন আৰু পুষ্পাৰ্ঘ অৰ্পণ কৰে প্ৰয়াত চৌধুৰীৰ পত্নী মিনতী চৌধুৰী, দুই পুত্ৰ অমিতাভ আৰু দিবাকৰ, দুই জী ৰাখী আৰু মনীষা, একমাত্ৰ জোৱাই ৰাজ কুমাৰ গুপ্তা প্ৰমুখ্যে ভালেমান বিশিষ্ট ব্যক্তিয়ে। ইয়াৰ পিছতে উপৰহালী ৰাইজ গয়ৰহৰ সভাপতি অজিত চন্দ্ৰ ঠাকুৰীয়াৰ সভাপতিত্বত আড়ম্বৰপূৰ্ণ পৰিবেশৰ মাজত অনুষ্ঠিত সভাখনত স্মৃতিগ্ৰন্থখনি উন্মোচন কৰি অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক, “সাহিত্য কৌঁৱৰ” কমল কলিতাই কয়- “নাট্য পথাৰত চবিন চৌধুৰীৰ অৱদান সদা স্মৰণীয় হৈ থাকিব। ভিন ভিন থিয়েটাৰ, অপেছাদাৰী নাট্য দলত ভালেমান নাটকত অভিনয় কৰাৰ লগতে পৰিচালনা কৰি সমাদৰ লাভ কৰিছিল।” সভাৰ মুখ্য অতিথি আকাশবাণী, গুৱাহাটী কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত সঞ্চালক তথা বোলছবি পৰিচালক অৱনী ৰঞ্জন পাঠকে কয়- “জীৱন পৰিক্ৰমাত বহু প্ৰতিভাধৰে উন্নত মানৰ কাম কৰি স্বীকৃতি নাপায়। চবিন চৌধুৰীয়েও বহু ইতিবাচক কাম কৰিছিল। বহু মননশীল কামেৰে সমাজ নিৰ্মাণত অৰিহণা যোগাইছিল।” সভাত ত্ৰিপুৰা কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বৰেণ্য পণ্ডিত ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই সভাত অংশ লৈ কয়- “মানুহে আজৰি সময়ত যিকণ সময় পাই সেই কণ সময়ত সমাজ নিৰ্মাণৰ কাম কৰিব লাগে, চবিন চৌধুৰী সমাজৰ কাম কৰিছিল, সংস্কৃতিৰ কাম কৰি মানুহৰ মনত সাঁচ বহুৱাই থৈ গ'ল।” সভাত

*(দহ পৃষ্ঠাত চাওক)*

# স্মাৰ্ট মিটাৰ বাতিলৰ দাবীত ৰাইজৰ দলৰ ব্যাপক প্ৰতিবাদ




ৰঙিলী বাৰ্ত্তাসেৱা- ৰাইজৰ দলৰ কামৰূপ মহানগৰ জিলা সমিতিৰ উদ্যোগত অসম বিদ্যুত বিতৰণ কোম্পানী লিমিটেডৰ গুৱাহাটী পল্টন বজাৰস্থিত মুখ্য কাৰ্যালয় ‘বিজুলী ভৱন’ ত এক প্ৰতিবাদী কাৰ্য্যসূচী গ্ৰহণ কৰা হয়। প্ৰায় দুই শতাধিক প্ৰতিবাদকাৰীৰ সৈতে ৰাইজৰ দলৰ কৰ্মী সকলে অসমীয়া পৰম্পৰাৰে তামোল পাণ আৰু শৰাই আগবঢ়াই স্মাৰ্ট মিটাৰৰ বাতিল কৰাৰ বাবে চৰকাৰ আৰু শক্তি বিভাগৰ সুমতি বিচাৰি প্ৰাৰ্থনা জনায়। জিলা

*(দহ পৃষ্ঠাত চাওক)*

# নেবকছৰ অনাথ শিশুসকলৰ মাজত ‘অন্তৰংগ আলাপ’



ৰঙিলী বাৰ্ত্তাসেৱা- নেবকছৰ উদ্যোগত অলপতে গুৱাহাটী, লংকেশ্বৰৰ অনাথ আশ্ৰমত অনাথ শিশু সকলৰ লগত নেবকছৰ ‘অন্তৰংগ আলাপ’ শীৰ্ষক এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান সমাপন হৈ যায়। নেবকছৰ সভাপতি গগণাষ্টম গগৈৰ তত্ত্বাৱধানত সমাপন হোৱা অনুষ্ঠানটো সুন্দৰভাৱে পৰিচালনা কৰে জনপ্ৰিয় সংগীতশিল্পী জিতুমণি দাসে। বিশিষ্টা সমাজসেৱিকা ড° পাৰুল বৰুৱাই পূৰ্ণ সহযোগিতা আগবঢ়াই ব্যতিক্ৰমী এই অনুষ্ঠানত। পাৰুল বৰুৱাৰ সহযোগত শিশু সকলৰ মাজত বিভিন্ন সামগ্ৰী বিতৰণৰ কাৰ্যসূচীও ৰূপায়ণ কৰে। মনোজ কুমাৰৰ তত্ত্বাৱধানত সমাপন হয় গছ পুলি ৰোপণৰ কাৰ্যসূচী। কণ্ঠশিল্পী জিতুমণি দাসে গীতৰ অনুষ্ঠান আগবঢ়াই সকলোকে মুগ্ধ কৰে।

# ডিব্ৰুগড়ত আম আদমী পাৰ্টীৰ নৱনিৰ্বাচিত ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰক বিপুল আদৰণি

ৰঙিলী বাৰ্ত্তাসেৱা- আম আদমি পাৰ্টী অসম প্ৰদেশ কমিটিৰ সভাপতি হিচাপে ৰাষ্ট্ৰীয় কমিটিয়ে নিৰ্বাচিত কৰা পিছতে মনোজ ধানোৱাৰক ডিব্ৰুগড়ৰ মোহনবাৰী বিমান বন্দৰত দলীয় কৰ্মীসকলে বিপুল আদৰণি জনায়। নতুন দিল্লীৰ পৰা ডিব্ৰুগড়ৰ মোহনবাৰী বিমান বন্দৰত উপস্থিত হোৱাৰ পিছত শ শ আম আদমী পাৰ্টীৰ কৰ্মী সকলে ধানোৱাৰক বিপুল আদৰণি জনায়। ঝুমুৰ নৃত্য, বিহুৱা




আদি দলে আদৰণি জনোৱা পৰিলক্ষিত হয়। ডিব্ৰুগড় মোহনবাৰী বিমান বন্দৰত ধানোৱাৰক আদৰাৰ বাবে এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়।

ধাৰাবাহিক গল্প

# এজন পাগল

শৈলেন কুমাৰ,মিৰ্জা

খণ্ড - ৩

ৰহস্য, উৎকণ্ঠা প্ৰভেদ বিচাৰি অবিনাশে ইচ্ছাৰ বিৰুদ্ধে গৈ বন্দীতাৰ দৈনন্দিন কৰ্মৰাজিৰ ওপৰত চুকু ৰখা আৰম্ভ কৰিলে। এদিন বন্দীতাৰ পিছলৈ অবিনাশ চহৰৰ পৰা দূৰত জংঘলৰ এটা পৰিতক্ত্য কাৰখানা ঘৰ এটাত প্ৰৱেশ কৰিলে। অবিনাশে ঘৰতৰ এটা চুকত লুকুৱাই ঘৰতৰ ভিতৰৰ সমস্ত ঘটনা প্ৰত্যক্ষ কৰি কেমেৰাত বন্দী কৰি ৰেকৰ্ডিং কৰিছে। সেই কাৰখানাটো যদিও পৰিতক্ত্য অৱস্থাত আছে কিন্তু সেই ঘৰটো হৈছে চহৰখনৰ নামীদামী, মন্ত্ৰী, আমোলা, উদ্যোগপতি সকলোৰ গোপন আড্ডাৰ স্থল। সেই ঘৰটোৰ পৰিচালনা কৰাৰ দায়িত্ব আছে চহৰখনৰ কুখ্যাত ঠিকাদাৰ পৰশুৰাম চৌধুৰীৰ হাতত।




কিছুসময় সকলো দৃশ্য প্ৰত্যক্ষ কৰাৰ পাছত অবিনাশে বুজি পালে যে যিবোৰ নামীদামী লোকৰ সমাগম আজি সেই ঘৰটোত হৈছে সেইসকলৰ ওপৰটো ছদ্মবেশী এজন আছে যিয়ে সকলোকে নিয়ন্ত্ৰণ কৰি আছে। আগন্তুক দিনত কিদৰে চহৰখনৰ উন্নয়নৰ নামত আমন্ত্ৰণ হোৱা চৰকাৰী পুঁজি সকলোৱে লুটিপুটি খাৱ তাৰ বিষয়ে আলোচনাচক্ৰ হৈছে। অবিনাশৰ আৰু বুজিবলৈ বাকী নাথাকিল যে এইসকল লুভীয়া দানৱসকলৰ উচ্চ আকাংক্ষা কামনাৰ বলি আজি অবিনাশৰ দেউতাক সত্যব্ৰত বৰুৱা আৰু ভনীয়েক লভিতা হব লগিয়া হ'ল। টকা পইচাৰ নিচাহত দৌৰা অবিনাশৰ প্ৰেয়সীয়েও অবিনাশক প্ৰতাৰণা আৰু প্ৰবঞ্চনা কৰিলে। আজি এইসকল দানৱৰ প্ৰবঞ্চনা আৰু প্ৰতাৰণাৰ বলি নীৰিহ জনসাধাৰণ। আজি সিহঁতৰ হাতত সকলো ক্ষমতা, সিহঁতে নিৰ্ধাৰণ কৰে কোনে জীয়াই থাকিব আৰু কোনে মৃত্যুবৰণ কৰিব। ৰজাপ্ৰজা, প্ৰশাসন সিহঁতৰ নিয়ন্ত্ৰণত। নৈতিকতা, নীতিআদৰ্শ, সত্যনিষ্ঠা সিহঁতৰ ভৰিৰ তলত। সকলো কথা জানিবলৈ পাই অবিনাশ অগ্নিশৰ্মা হৈ প্ৰতিশোধৰ অগ্নিত জ্বলিবলৈ আৰম্ভ কৰিছে।

তেনেতে হঠাতে দুৰ্বৃত্তৰ দলটোৰ এজনৰ চকু অবিনাশৰ ওপৰত পৰিল, অবিনাশে পলাই সাৰিব নোৱাৰিলে অৱশেষত অবিনাশ আটক হ'ল। অবিনাশক চকীত বহুৱাই ৰচীৰে বান্ধি ৰখা হ'ল। অবিনাশৰ মবাইল আৰু লগত থকা সকলো যাৱতীয় বস্তু জব্দ কৰা হ'ল। তাৰপাছত পৰশুৰাম চৌধুৰীৰ নিৰ্দেশত অবিনাশক হত্যা কৰি মৃতদেহ নদীত উটুৱাই দিবলৈ ইংগিত দিয়া হ'ল।

আগলৈ....

# গীতিকবিতা

যমুনা দুলু বৈশ্য, শুৱালকুছি



হিয়াৰ আবেগেৰে কি কথা ক'লা
ভালপোৱাৰে তুমি প্ৰতিশ্ৰুতি দিলা
বুকুতে ৰহণ চৰায়
মৰমৰ বান্ধোনেৰে
মনৰ মাজতে ওলগ জনায়।
থউকি বাথৌ দুচকুত আজি
পোহৰৰ মৌ সানি জীৱন ডিঙা
কলৈনো যায় উৰি
চোৱা না এবাৰ তুমি মোলৈ ঘূৰি
মনে কিয় বাৰে বাৰে তোমাকে ধিয়াই!
ভাল লগা প্ৰণয়ৰ স্মৃতি
হিয়াৰ কোণতে বাজে চমকি
ৰুণজুন, ৰুণজুন এনেকৈ
হিয়াত বাজে গুণ, গুণ
হেঁপাহৰ ৰং বোৰ বাজিব সুৰ হয়।

# উপলব্ধি



পৰিস্মিতা বৰা হাজৰিকা, মাজুলী

হঠাৎ খবৰটো পাই বুকুখন বিষাই গ'ল। বুকুত এটা প্ৰচণ্ড বিষ অনুভৱ কৰিলে তাই। দুখত ভাগি পৰি দুচকুৰে ধোৱা কোৱা দেখিলে। বৈ আহিল বাৰিষা ঢল হৈ অশ্ৰুৰ বন্যা। তাইৰ প্ৰিয় বান্ধৱী প্ৰিয়াই যেতিয়া বিয়াৰ নিমন্ত্ৰণ দিবলৈ আহিছিল, মনটো স্ফুটিত কব নোৱাৰা হৈ পৰিল নয়না। বহুত দিনৰ পিছত লগপাই হিয়া উজাৰি কথা পাতিছিল আৰু যেতিয়া দৰা কোন বুলি সুধাত, প্ৰিয়াই তাইৰ মবাইলত দৰা ফটোখন হাঁহি হাঁহি দেখাইছিল, পলকতে সকলো শেষ হৈ গৈছিল নয়নাৰ।

নয়না আৰু প্ৰিয়া একেলগে পঢ়িছিল চহৰৰ এখন নাম জ্বলা কলেজত আৰু একেলগে একেটা হোষ্টেলত আছিল দুইজনী। কলেজৰ দিনত প্ৰতিটো সময়তে একে লগে থকা দুইজনীয়ে পাতিছিল সুখ দুখৰ প্ৰতিটো কথা। গাৱৰ পৰা যোৱা নয়নাই প্ৰথমে চহৰৰ আওভাও একোকে বুজা নাছিল, ঠিক সেইসময়তে সৰু পৰা চহৰৰ ভাল পৰিৱেশত ডাঙৰ হোৱা প্ৰিয়াই আঙুলিত ধৰি শিকোৱাৰ দৰে প্ৰতিটো কথাই শিকাই দিছিল তাইক।

নয়নাই বহুত দিনৰ পিছত মবাইলত ফেচবুকটো ইনষ্টল কৰিলে, বহুত দিনেই হ'ল তাই মবাইলৰ পৰা আতৰি থকা, বি এ পৰীক্ষা দি তাই যেতিয়া চহৰৰ পৰা গুচি আহিছিল তেতিয়াৰে পৰাই আতৰি আছিল সকলোৰে পৰা। নিজৰ নামত ফেচবুকটো খুলি তাই লৰালৰিকৈ চাৰ্জ কৰিলে সুশান্ত বৰদলৈ নামটো। তাৰ প্ৰফাইল টো চাই হতভম্ব হল নয়না। প্ৰতিখন ফটোতে প্ৰিয়াক দেখি তাই পাগলৰ দৰে হৈ পৰিল। কিয় সুশান্ত আৰু প্ৰিয়াই তাইৰ লগত খেল খেলিলে। সকলো জানিও কিয় প্ৰিয়াই তাইক বিশ্বাসঘাটক কৰিলে। কোন সাহসত তাই নয়নাক সিহঁতৰ বিয়ালৈ নিমন্ত্ৰণ দিলেহি। কথাবোৰ ভাবি ভাবি কান্দি উঠিল নয়না।

চহৰৰ প্ৰখ্যাত ব্যৱসায়ী প্ৰতাপ চৌধুৰী আৰু তেৰেই একমাত্ৰ সন্তান সুশান্ত চৌধুৰী। প্ৰিয়া আৰু নয়নাতকৈ দুবছৰ মানৰ ডাঙৰ যদিও প্ৰথমে সুশান্তই চিনাকি হৈছিল নয়নাৰ সৈতে। প্ৰথম চিনাকিতেই সুশান্তক ভাল লাগিছিল নয়নাৰ। ধনী ঘৰৰ লৰা যদিও তাৰ অমায়িক মাত ভাষাত মোহ গৈছিল নয়না। কিন্তু কোনোদিনেই তাই ভবাৰ দৰে এবাৰো প্ৰেমৰ প্ৰস্তাৱ নিদিলে সুশান্তই। তাই বাৰে বাৰে তাক বুজাব বিচাৰিও বিফল হোৱাত মনৰ আশা মনতে বান্ধি গুচি আহিছিল ঘৰলৈ। মাক দেউতাকে বাৰে বাৰে বুজাইও তাইক উচ্চ শিক্ষাৰ বাবে পঠাব নোৱাৰিলে আৰু অৱশেষত তাই পালে কি?

এদিন মাক দেউতাকক আচৰিত কৰি তাই সিদ্ধান্তটো জনোৱাত মাকে চাদৰৰ আচলৰে চকু পানী মচিলে আৰু দেউতাকে তাইক সকলো যোগাৰ কৰি দিলে। তাই মাক দেউতাকক এৰি উচ্চ শিক্ষাৰ বাবে উৰা মাৰিলে মুম্বাইলৈ। তাইৰ মনত আৰু কোনো সুশান্তক স্থান নিদিয়ে, যাক তাই একপক্ষীয় ভাবে ভাল পাইছিল আজীৱন তেওঁৰেই পুজা কৰি যাব তাই। প্ৰেমত প্ৰতাৰিত হৈ সকলো বন্ধু বান্ধৱীৰ পৰাই আতৰি ফুৰিছিল নয়না। কলেজৰ দিনত বহুতৰে পৰাই প্ৰস্তাব পাইছিল যদিও দুৰে দুৰে আছিল তাই, কিয়নো মনে প্ৰাণে তাই সুশান্তকে ভাল পাই। তাৰ সা সম্পত্তি দেখি তাই সুশান্তক ভাল পোৱা নাছিল, পাইছিল তাৰ ব্যৱহাৰ দেখি। কিন্তু কিয় তাৰ ওচৰত নিশাৰ ভালপোৱাই স্থান নাপালে সেইটো তাইয়ো নাজানিলে। হয়তো তাই গাৱলীয়া, বা তাৰ দৰে ধনী ঘৰৰ নোহোৱা বাবেই সি তাইক উপক্ষিত কৰিলে।

দিন যায়, মাহ বাগৰি বছৰে পাৰ সলাই। নয়নাইও নিজকে সলনি কৰিলে। মুম্বাইত এটা ভাল প্ৰতিষ্ঠানত তাই চাকৰি কৰে। বছৰত এবাৰ মাক দেউতাকৰ কাষলৈ আহে। মাক দেউতাকে বাৰে বাৰে বিয়াৰ কথা উলিয়াইয়ো তাইক সৈমান কৰাব নোৱাৰি হুমুনিয়াহ কাঢ়ে। চাদৰৰ আচলেৰে মনে মনে চকুলো মচে। তাইয়ো বিমোৰত পৰে মাকৰ কথাবোৰ শুনিলে। কিন্তু তাই যে নিৰুপাই। কেনেকৈ কয় মাকক তাই ভগ্ন হৃদয়খনৰ কথাবোৰ, কেনেকৈ কয় তাই যেন আজীৱন সুশান্তৰ নামত উশাহ লৈ জীয়াই থাকিব খোজে। মাকৰ ফোনটো আহিলেই বুকুৰ ধপধপনিটো বাঢ়ি যায় নয়নাৰ। আজিকালি কামটো মন নবঢ়া হৈ আহিছে। ঘৰত অকলশৰীয়া মাক দেউতাকলৈ বৰকৈ মনত পৰে নয়নাৰ। বয়স হোৱাৰ লগে লগে অসুখেও লগ এৰা নিদিয়া হ'ল। কিমান নো আৰু আক তাক কৈ কৈ ডাক্তৰৰ ওচৰলৈ নিয়াব। সেয়ে তাই সিদ্ধান্ত লৈ পেলাইছে এইবাৰ তাই চাকৰি ৰিজাইন দি একেবাৰে গুচি যাব মাক দেউতাকৰ কাষলৈ। এই বয়সত আৰু মানুহ হালক অকলশৰীয়া নকৰে তাই।

বহাগ বিহু। চাৰিওফালে ঢোল পেপাৰ মাত, গাৱৰ ঘৰে ঘৰে ঢেকীৰ শব্দ আৰু ওচৰৰ খুৰী তাতশালৰ পৰা অহা খটখটনিৰ শব্দত টোপনিৰ পৰা সাৰ পালে নয়নাই। চিনাকি সুবাস এটা বিয়পি পৰিল তাইৰ চৌপাশে। বহু বছৰে হ'ল বিহুত গাৱত নথকা।

আগলৈ....

# মানৱতা



**ময়ূৰী বৰগোহাঁই, নৱম শ্ৰেণী**

ৰৌদ্ৰহীন আজি এই গগন
উদণ্ড মানৱৰ মানৱতা
বিহীন কাৰ্য্য দেখি।
লজ্জিত আজি এই গগন
এনে মানৱক চৰণ দি।
জ্ঞান-বিজ্ঞান থাকিও আজি
মনুষ্যত্বৰ পৰাজয়
দানৱতাৰ ওচৰত।
সন্মুখত দেখি প্ৰলোভন
অস্থিৰ হৈ বিবেক দৰ্শন !
ৰাইজেই পতা জাতিৰ বদনে
আজি স্বদেশত অশান্তিৰ ফুলেৰে
হিংস্ৰতাৰ পুজা পাতিছে ।
স্বদেশত আজি গিৰ্গিটিৰ
দৰে বৰণ সলোৱা
দালালৰাজৰ ৰাজত্ব।
গণতন্ত্ৰই দিয়া ভণ্ডামী মুখা পিন্ধি
সিহঁত আজি চিৰ প্ৰশান্ত।
ধৰ্ম নামত ৰণশিঙা বজোৱা
দানৱৰ হাতত আজি নিৰীহ
জনগণৰ তেজৰ তাণ্ডৱলীলা।
দানৱীয়তা বিক্ষিপ্ত গলিত
আজি বাৰে বাৰে পিষ্ট মানৱতা ।
হতাশা আৱেষ্টনীত আজি
নিতে ককবকাই মানৱতাই ।
হেৰাই গ'ল !
হেৰাই গ'ল,
তাহানিতে সুধাকণ্ঠৰ কণ্ঠৰে
নিগৰা মানৱতা জয়গান ।
স্পৃশ্য-অস্পৃশ্যতাৰ মাজত আজি
হেৰাই গ'ল শংকৰ-মাধৱ ।
তথাপি !
তথাপি আজিও প্ৰতিটো
প্ৰভাতী সূৰুযৰ হেঙুলী আভাৰ
সতে অপেক্ষা কৰোঁ
এখন মানৱীয়তাৰ পৃথিৱী ।
দানৱীয়তাৰ পৃথিৱীত মানৱীয়তাৰ
শুভ আলিংগনলৈ বুলি ?
নহ'লে তাহানিতে সুধাকণ্ঠৰ
কণ্ঠৰে নিগৰাৰ দৰে-
"বিশ্বপ্ৰেম.. বিনন্দীয়া বুলি
অনুভৱ কৰা প্ৰতিজন অসমীয়া
তুমিওটো জানা এটি কথা,
আপোন মাতৃৰ অশ্ৰু নমচিলে
বিশ্বপ্ৰেম হ'ব বৃথা,
তুমি বিশ্বৰ শৰীৰত পঙ্গু অংগ হ'লে
বিশ্বই জানো ভাল পাব
পৃথিৱীত জনমি সচেতন নহ'লে
প্ৰাপ্যও থিতাতে হেৰাব,
আমি অসমীয়া নহওঁ দুখীয়া
বুলি সান্ত্বনা লভিলে নহ'ব...." ।

# ষ্টেটাছ

**মুনিন্দ্ৰ বৈশ্য, ওদালগুৰি**



বলিউডৰ এগৰাকী প্ৰখ্যাত অভিনেতা। ধন-সম্পত্তিৰ অভাৱ নাই, মান-যশ বৈ বৈ যোৱা বিধৰ। বাটত ওলালে তেওঁৰ এপলক দৰ্শন লাভ কৰিবলৈ মানুহে হেতা ওপৰা লগায়। অথচ তেওঁৰ নাই কোনো ভেম বা অহংকাৰ। নিজকে এজন বিখ্যাত চেলিব্ৰিটি বুলিও জহাই নুফুৰে। জীৱনশৈলীও তেনেই সাধাৰণ। সাজ-পোছাক সাধাৰণ, ঘৰ-দুৱাৰ সাধাৰণ, গাড়ী-গুড়াও সাধাৰণ। এখন ৱেগনাৰ গাড়ীত তেওঁ চলা ফুৰা কৰে। তাকে দেখি এদিন অনুগামী এজনে সুধিলে "ছাৰ, আপোনাক বহুদিনৰ পৰা কথা এটা সুধিম বুলি ভাবি আছোঁ, কিন্তু ইমান দিনে সাহস গোটাব পৰা নাছিলোঁ। আজি মৰণত শৰণ দি সুধিবলৈ চেষ্টা কৰিছোঁ, আশা কৰোঁ আপুনি খং নকৰিব। "নাই নাই আপুনি নিচিন্তমনে সুধিব পাৰে।" অভিনেতাজনে স্বভাৱসুলভভাৱে অভয় দান কৰিলে।

মানুহজনে সুধিলে "ছাৰ, আপুনি ইমান ডাঙৰ আৰু জনপ্ৰিয় অভিনেতা, আপোনাৰ টকা-পইচাৰ অভাৱ নাই, আপোনাক সকলোৱে মৰম কৰে, সন্মান কৰে, আপোনাৰ দৰ্শন লাভ কৰিবলৈ মানুহে যুঁজ-বাগৰ কৰে; কিন্তু আপুনি তেনেই সাধাৰণ ৱেগনাৰ গাড়ী এখনত চলা-ফুৰা কৰে। কিয় ?"অভিনেতাজনে এটা হাঁহি মাৰি উত্তৰ দিলে "আচলতে কি জানে? দেখিছেই নহয় মই ওখ-পাখ মানুহ, ৱেগনাৰ গাড়ীখন অন্য গাড়ীৰ তুলনাত অলপ ওখ। গতিকে যাতায়তৰ সময়ত মোৰ একো কষ্ট নহয়। তদুপৰি গাড়ীখনত তেলৰ খৰচ কম, মেইন্টেনেন্স খৰছো নগণ্য; সেয়ে ৱেগনাৰ লৈয়ে মই চলা-ফুৰা কৰোঁ।" অভিনেতাজনৰ কথাটো যুক্তিপূৰ্ণ বুলি মানি লৈ মানুহজনে মূৰ দুপিয়ালে। "তথাপিও ছাৰ 'ষ্টেটাছ' বুলিও কথা এটা আছে দিয়কচোন।" তাৰ পিছতো মানুহজনে ক'বলৈ নেৰিলে।

কথাষাৰ শুনি অভিনেতাজনে বৰ ৰস পালে। সেয়ে এইবাৰ তেওঁ ওলোটাই মানুহজনক সুধিলে "মানে আপুনি বিশ্বাস কৰে যে মোৰ এটা ষ্টেটাছ আছে?" "অৱশ্যেই আছে ছাৰ, সেই ষ্টেটাছৰ বাবেই আপুনি সকলোৰে প্ৰিয় পাত্ৰ।" মানুহজনে সলাগিলে। অভিনেতাজনে আকৌ সুধিলে "আপুনি সঁচা কথা কৈছে নে?" মানুহজনে অত্যুৎসাহেৰে উত্তৰ দিলে "অকণো সন্দেহ নাই ছাৰ, এশ দহ শতাংশ সঁচা।"

এইবাৰ অভিনেতাজনে ক'লে "চাওক, আপুনি এশ দহ শতাংশ বিশ্বাসী যে মোৰ এটা ষ্টেটাছ আছে। তাৰমানে মোৰ ষ্টেটাছ আছে বুলি আপোনাৰ নিচিনাকৈ হয়তো আন বহুতেই বিশ্বাস কৰে। এতিয়া আপুনিয়েই কওক যদি ইতিমধ্যে মোৰ এটা ষ্টেটাছ আছেই, তেন্তে মই মাৰ্চিডিছ, অ'ডি, বি এম ডব্লিউ আদি বিলাসী গাড়ী কিনি চলা-ফুৰা কৰাত লাগিলে মোৰ ষ্টেটাছ বাঢ়িব নে গাড়ী কোম্পানীকেইটাক প্ৰমোচন কৰাহে হ'ব?" উত্তৰটো পাঠকলৈ এৰিলোঁ।

**যোৱাখণ্ডৰ পৰা....**

# কঁকালৰ বিষ

**লুকুমা আইজনী**



( ৰ'বচোন ! আপোনালোকে মই সঁচা কোৱা বুলি ভাৱিছে ? নাই ! নাই ! মই সঁচা কোৱা নাই । মানুহৰ মনত নিঃস্বাৰ্থ আন্তৰিকতাবোধ জন্মা ইমান সহজ নহয় ) ।

ন'হলেনো বিনা অনুমতিত কোনো আগজাননী নিদিয়াকৈ ফুৰিবলৈও যাব পাৰে আৰু আকৌ ঘূৰি আহি ঠিতাপিও ল'ব পাৰে । আৰু মজাৰ কথাটো হৈছে কঁকালৰ বিষটো আমাৰ যেন কলিজাৰ টুকুৰা (কঁকালৰ বিষৰ লগত আমাৰ সম্পৰ্ক বুজাবলৈ অলপ মিছাকৈ কৈছো)। সেইবাবেই কিজানি কঁকালৰ বিষে আমাৰ ওপৰত দাবী কৰা অধিকাৰবোধৰ বিৰুদ্ধে মাত মাতিব নোৱাৰো। আজিকালি লগত নাথাকিলে কিবা স্বয়ংসম্পুৰ্ণ যেন নলগা হৈছে । অ' আৰু এটা মজাৰ কথা ক'বলৈ পাহৰিছিলোৱেই নহয়, আপোনালোকে কিন্তু ঈৰ্ষা নকৰিব ! নকৰে ন'? ঠিক আছে তেন্তে, কঁও শুনক - আজৰি পৰত আমাৰ বিৰক্ত হ'বলগীয়া নাই কাৰণ অনুভৱ কৰিবলৈ কঁকালৰ বিষটোতো আছেই। কথাষাৰ সৰু যেন লাগিলেও। বিৰক্তিকৰ সময়বোৰ পাৰ কৰাটো কিমান অশান্তিকৰ সেয়া আমি সকলোৱে অভিজ্ঞতা আহৰণ কৰি জানিছো। সেয়ে কৈছো - আমাৰ বিৰক্তিত অশান্তি পাবলগীয়া নাই, কঁকালৰ বিষটো আছেই নহয়, সেই বিষটোক অনুভৱ কৰিবলৈ।

পিছে কঁকালৰ বিষটোৱেও আমাক ভাল পায় ন'হলেনো নাযাঁও বুলি এনেকৈনো ঠেহ পাতেনে! এনেকৈ মানে কেনেকৈ এয়া কঁকালৰ বিষ থকা সকলে ভালকৈয়ে জানিব । আপুনি যিমানেই ইয়াক খেদি পঠিয়াবলৈ চেষ্টা নকৰক কিয়, নিজৰ যাবৰ মন ন'গলে নাযায় । যোৱাটো দূৰৰে কথা ইয়াক পাহৰি যাম বুলি মাজে মাজেই নিজেই মনত পেলাই দি থাকে ।এই ধৰক ৰাতিপুৱা টোপনিৰ পৰা উঠি মুখখন ধুবলৈ সন্মুখলৈ হাওলি ঠিয় হোৱাৰ পৰত টিঙিচকৈ "মই আছো" বুলি চিঞৰি দিয়ে। তাৰ পিছত আৰু কি শাৰীৰিক অসুস্থতাৰ ইমান সাহ মোৰ(আমাৰ ) ওপৰত ৰাজত্ব কৰিবলৈ । দিনটো চলা - ফুৰা কৰি ৰাতি যেতিয়া বিচনাত দীঘল দিঁও কঁকালৰ বিষে ইমান মৰমেৰে শুভৰাত্ৰি জনায় যে কিছুমুহূৰ্তৰ বাবে মোৰ উশাহ বন্ধ হৈ যায় ।ৰাতিপুৱা আকৌ একেই কাৰবাৰ । দিনটো মোৰ লগত কথা পাতক বা নাপাতক কিন্তু ৰাতিপুৱা আৰু ৰাতি মোক শুপ্ৰভাত আৰু শুভৰাত্ৰি জনাবলৈ কেতিয়াও নাপাহৰে ।

ধৰক, কোনো গাম্ভীৰ্য্যপুৰ্ণ অনুষ্ঠান এটাত আপুনি উপস্থিত আছে বা সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছে । অনুষ্ঠানটো সুৰুচিপুৰ্ণ । কিন্তু প্ৰথমবাৰ ঠিয় হ'বলৈ শিকা শিশুৰ দৰে এই কঁকালৰ বিষটোৱেও ঠিক তেতিয়াহে আপোনাৰ শৰীৰত ঠিয় - দঙা দিব। আপুনি লাহে লাহে অনুভৱ কৰিব যে অকস্মাত আপোনাৰ কঁকালৰ বিষটো বাঢ়িছে । মাজে মাজে গোটেই শৰীৰটোত ইফালৰ পৰা সিফলে দৌৰিবলৈও আৰম্ভ কৰিছে । এইফালে আপুনি বিষতে মুখখন কোঁচাই দিবও নোৱাৰে। আপুনি কল্পনা কৰকচোন বিষতে কোঁচখোৱা আপোনাৰ মুখখন !

*( নপৃষ্ঠাত চাওক)*

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

सत्यमेव जयते

অসম চৰকাৰ
বিত্ত বিভাগ




# অভিনন্দন


## শিক্ষা ঋণ ৰাজসাহায্য আঁচনি ২.০ৰ শুভ উদ্বোধন



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

শিক্ষা ঋণৰ ক্ষেত্ৰত **৫০,০০০টকা** পৰ্যন্ত ৰাজহাসায্য প্ৰদানেৰে ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ অভিভাৱকসকলৰ বিত্তীয় বোজা লাঘৱ কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা অভিলাষী আঁচনি

JANASANYOG- 1874/24/6-Oct-24



### যোগ্যতাৰ মাপ-কাঠী

- শিক্ষাৰ্থীগৰাকী অসমৰ স্থায়ী বাসিন্দা হ'ব লাগিব
- অসমৰ লগতে আন ঠাইতো উচ্চ শিক্ষা গ্ৰহণ কৰি থকা ছাত্ৰ-ছাত্ৰীৰ বাবে এই ৰাজসাহায্য উপলব্ধ
- ২০২০ চনৰ ১ এপ্ৰিলৰ পৰা ২০২৪ চনৰ ৩১ মাৰ্চৰ ভিতৰত অনুমোদিত ঋণৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য
- বৰ্তমানৰ সাংসদ অথবা বিধায়ক, পঞ্চায়তৰ কৰ্মকৰ্তা আৰু চৰকাৰী বা চৰকাৰী ৰাজহুৱা খণ্ডৰ স্থায়ী কৰ্মচাৰীসকলৰ সন্তানৰ বাবে এই সুবিধা উপলভ্য নহয়
- দুই লাখতকৈ কম পৰিমাণৰ ঋণ বা বেংকৰ দ্বাৰা 'এন পি এ' হিচাপে পৰিগণিত ঋণৰ একাউণ্টৰ ক্ষেত্ৰত এই ৰাজসাহায্য প্ৰযোজ্য নহয়
- প্ৰতিগৰাকী শিক্ষাৰ্থীয়ে এই সুবিধা মাত্ৰ এবাৰৰ বাবেহে লাভ কৰিব

### আবেদন প্ৰক্ৰিয়া

- https://dids.assam.gov.in/ দৰ্শন কৰক
- আপোনাৰ ম'বাইল নম্বৰ আৰু অ' টি পিৰ জৰিয়তে লগ ইন কৰক
- 'অভিনন্দন আঁচনি' সন্ধান কৰক
- প্ৰয়োজনীয় তথ্য প্ৰদান কৰি নিজৰ যোগ্যতা পৰীক্ষা কৰক
- যদি যোগ্য হয় তেন্তে আবেদন-পত্ৰ পূৰণ কৰক
- সবিশেষ প্ৰদান কৰাৰ লগতে প্ৰয়োজনীয় নথি-পত্ৰসমূহ আপলোড কৰি আবেদন-পত্ৰ পূৰণ কৰক

### প্ৰয়োজনীয় নথি-পত্ৰসমূহ

- আৱাসিক প্ৰমাণ-পত্ৰ: শিক্ষামূলক উদ্দেশ্যৰ বাবে প্ৰদান কৰা পি আৰ চি
- পৰিচয় প্ৰমাণ-পত্ৰ: আধাৰ/পাছপ'ৰ্ট/পেন/ভোটাৰ আই ডি/ফটোসহ ৰাষ্ট্ৰীয়কৃত বেংকৰ পাছবুক
- ঠিকনা প্ৰমাণ-পত্ৰ: আধাৰ/পাছপ'ৰ্ট/ভোটাৰ আই ডি/বিদ্যুৎ বিল বা টেলিফোন বিল (তিনি মাহতকৈ অধিক পুৰণি হ'ব নোৱাৰিব)
- বেংক ঋণৰ নথি-পত্ৰ (একেটা পি ডি এফ ফাইলত একত্ৰিত কৰাটো জৰুৰী)
- অভিভাৱকৰ পৰিচয় প্ৰমাণ-পত্ৰ: আধাৰ/পাছপ'ৰ্ট/পেন/ভোটাৰ আই ডি/ড্ৰাইভিং লাইচেঞ্চ/ফটোসহ ৰাষ্ট্ৰীয়কৃত বেংকৰ পাছবুক


অধিক জানিবৰ বাবে ফোন নম্বৰ: ১৮০০ ২০২৬ ২৫৬ আৰু মেইল আই ডি dids-assam@assam.gov.in

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

# সত্য - অহিংসাৰ পথেৰে স্বাধীনতা

জ্যোতি খাটনিয়াৰ



মানুহে মুক্তিৰ সপোন দেখে। পৰাধীনতাৰ গ্লানি কোনো সতৰ্ক, সচেতন আৰু বিবেকবান মানুহে সহ্য কৰিব নোৱাৰে। ইয়াৰ পৰা তেওঁ আঁতৰিব খোজে। সংকীৰ্ণ মনোভাৱ আৰু ব্যক্তিগত স্বাৰ্থৰ দ্বাৰা পৰিচালিত ব্যক্তিয়ে মুক্তি অভিমুখী নিজৰ যাত্ৰাত সফল হলেই সন্তুষ্ট হয়। এওঁলোকৰ বাবে ব্যক্তিগত সিদ্ধিয়েই শেষ কথা। এইসকল লোকক অতি সীমিত অৰ্থত হে প্ৰেৰণাৰ উৎস বুলি ভাবিব পাৰি। সামগ্ৰিকতাৰ দৰ্শন বা তেনেকুৱা চিন্তাৰ পৰিমণ্ডল এওঁলোকৰ কামৰ মাজত দেখা নাযায়। ইয়াৰ বিপৰীতে আন এমুঠি লোকে সামূহিক কল্যাণৰ বাবে বিশেষ সাধনাত নিমগ্ন হয়। ভাৰতীয় চিন্তাই এনে সাধনাক 'তপস্যা' বুলি ক'ব খোজে। পাশ্চাত্য চিন্তাত ই মোটামোটি ভাৱে হ'ব নিৰাসক্ত জ্ঞান সাধনাৰ লেখীয়া। ভাৰতীয় চিন্তা আৰু পৰিমণ্ডলৰ পৰিপ্ৰেক্ষিতত যিকেইজন লোকৰ উমৈহতীয়া কল্যাণ আৰু মুক্তিৰ সপোন সাকাৰ কৰাৰ ক্ষেত্ৰত নাম ল'ব পাৰি তাৰ ভিতৰত আধুনিক সময়ত মহাত্মা গান্ধীৰ নাম প্ৰথমে মনলৈ আহে। ঈশ্বৰেই সত্য আৰু এই সত্যত অবিচল আস্থা ৰাখি আগুৱাই যোৱাই মুক্তি সন্ধানী মানুহৰ দেখুওৱা একমাত্ৰ বাট। গান্ধীৰ মতে অতি স্পষ্ট : " গান্ধীবাদ বুলি কোনো কথা নাই। পাহাৰ আৰু পৰ্বতৰ দৰেই সত্য আৰু অহিংসা পুৰণি।" এই যাত্ৰাত ভুল ত্ৰুটি হ'ব পাৰে ; কিন্তু এই যাত্ৰাই মানুহক নিতৌ নতুন কথা শিকাই যায়। গান্ধীৰ চিন্তা আছিল পোনপটীয়া কিন্তু অতি অনমনীয় (উৎস : টেগোৰ -গান্ধী কনট্ৰোভাৰ্ছি: শিৱনাৰায়ণ ৰায় : ১৯৬৯)। ভাৰতীয় চিন্তা আৰু কৰ্ম পদ্ধতিৰ মাজেৰে বিশ্ব মানৱৰ হকে জীৱনৰ অৰ্থক নতুন ধৰণেৰে সজাই পৰাই চাব পৰা সৰ্জুলি যোগান ধৰা আন কেইগৰাকী ব্যক্তি হ'ল গৌতম বুদ্ধ, মহান সম্ৰাট 'দেৱানংপিয় পিয়দসি' অশোক, মহামতি ভক্তি কবিৰ, মহাপুৰুষ শ্ৰী মন্ত শঙ্কৰদেৱ আৰু ৰবীন্দ্ৰনাথ ঠাকুৰ। মহাত্মা গান্ধী আৰু এই পাঁচজন মানুহৰ চিন্তাত কোনো মৌলিক পাৰ্থক্য নাই। প্ৰত্যেকৰে বাবেই ঈশ্বৰেই একমাত্ৰ সত্য আৰু ইয়াৰ বাহিৰে কোনো কথাৰ অস্তিত্ব নাই। গৌতম বুদ্ধই সংসাৰ চক্ৰৰ চাৰি আৰ্য সত্যৰ যোগেদি মানৱ আত্মাৰ মুক্তিৰ সন্ধান কৰিছে। সম্ৰাট অশোকে দয়া, ক্ষমা, সহনশীলতা আৰু বিভিন্ন ধৰ্মীয় চিন্তাৰ মাজত সমন্বয়ৰ কথাৰে সামাজিক নীতি গঢ়িব খুজিছে। ভক্ত কবিৰে সমতাৰ ধাৰণাৰে সমাজত সকলোৰে বাবে ভক্তিৰ নিৰন্তৰ প্ৰবাহ বোৱাই দিব খুজিছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে হৰিনাম ৰসে, প্ৰেমৰ অমৃত নদীৰে মানুহক মুক্তিৰ পথ দেখুৱাইছে। ৰবীন্দ্ৰনাথে আনন্দ আৰু পোহৰৰ বন্দনাৰে (আলো আমাৰ আলো ওগো আলো ভুৱন ভৰা) পৰম সত্তাক উপনিষদৰ ঋষিৰ দৃষ্টিৰে চাইছে। প্ৰতিজনেই সত্যৰ আলোকত আৰু প্ৰেমৰ পৰিমণ্ডলত ঈশ্বৰক স্থাপন কৰিছে। এই প্ৰেমৰ প্ৰকৃতি গান্ধীৰ বাবে অতি স্পষ্ট। বাইবেলৰ অধ্যয়নৰ পৰা তেওঁৰ এই ধাৰণা শক্তিশালী হৈছে। খ্ৰীষ্টান ধৰ্মাৱলম্বী সকলে ক'ব খোজে যে যুক্তি আৰু বিশ্বাসৰ মাজত কোনো সংঘাত নাই। যদিহে কোনো সংঘাত থাকে, তেনেহলে হয় মানুহজনৰ বিশ্বাস পৰ্যাপ্ত নহয়, নহ'লে যুক্তিৰ প্ৰয়োগত খেলিমেলি হৈছে (দ্ৰষ্টব্য : ৰোমান কেথলিছিজিম : ছেবাষ্টিয়ান বালো : ১৯৬৫: পৃ. ২৬৭) । গান্ধীয়ে সম্পূৰ্ণ নিকা ভাষাত কৈছে যে ঈশ্বৰক সত্যৰূপে চাব খুজিলে একমাত্ৰ উপায়টো হৈছে প্ৰেম। অৰ্থাৎ, অহিংসা। যিকোনো ব্যক্তিয়ে মুক্তিৰ পথত আগুৱাই যাব খুজিলে অহিংসাত অবিচল আস্থা থাকিব লাগিব। মানুহৰ বিৱৰ্তন প্ৰক্ৰিয়াই প্ৰতিজনৰ বাবে সত্যক টুকুৰা টুকুৰ কৰি পেলাইছে। বিজ্ঞানৰ জগতত পৰীক্ষাৰ যেনেকৈ নিয়ম আছে, তেনেকৈয়ে মানুহৰ আধ্যাত্মিক জগততো প্ৰতিটো পৰীক্ষাৰ নিয়ম থাকে। এনে কেইবাটাও নিয়ম মানুহৰ বাবে গান্ধীয়ে ঠিক কৰি দিছে। ইয়াৰে কেইটামান হল সত্যত অবিচল আস্থা ; নিজকে বিশুদ্ধ কৰি ৰখাৰ সংকল্প; পঁনূতম সা - সামগ্ৰীৰে জীৱনটো কটাই নিয়াৰ সংকল্প; আৰু দৰিদ্ৰতাক বৰণ কৰি লোৱাৰ মানসিক ক্ষমতা। এই দৰিদ্ৰতাৰ স্বৰূপ অলপ বেলেগ। এই দৰিদ্ৰতা মানে অনাহাৰত মৃত্যু নহয়। এই দৰিদ্ৰতা মানে পুঁজিবাদত সন্নিবিষ্ট প্ৰতিযোগিতা (competition) আৰু লোভ বা খক (greed)ৰ পৰা নিজকে মুক্ত কৰি ৰখা। অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীয়ে ভোক আৰু খকৰ মাজৰ পাৰ্থক্য আঙুলিয়াই দিছে। তেওঁ কৈছে যে খকৰ পৰাহে পুঁজিবাদৰ উৎপত্তি। প্ৰবৃত্তিৰ আতিশয্যৰ আন নাম খক ( দ্ৰষ্টব্য : অম্বিকাগিৰী ৰায়চৌধুৰী ৰচনাৱলী: পৃ: ৬৯৯)। এই পাৰ্থক্যই গান্ধীবাদী অৰ্থনীতিৰ মূল কথা। গান্ধীজীয়ে ভোকক অস্বীকাৰ কৰা নাই। কিন্তু খকৰ পৰা মানুহ মুক্ত হৈ থকাৰ ওপৰত তেওঁ বিশেষ গুৰুত্ব দিছে। তেওঁ লক্ষ্য কৰিছে যে পুঁজিবাদী ব্যৱস্থাত মানুহৰ আত্মা খকৰ ফাললৈ আগবাঢ়ে। খকৰ পৰা আঁতৰি থকাৰ বাবে মানুহক এক নৈতিক আধাৰ (moral foundation) ৰ প্ৰয়োজন হয়। অহিংসাই সেই নৈতিক আধাৰ আমাৰ বাবে যোগান ধৰিব পাৰে। অহিংসাৰ লগত ওত প্ৰোতভাৱে জড়িত হৈ থকা কথাটো হল অসহযোগ। হিংসাৰ লেশমানো কথা বতৰা অহিংসাত বিশ্বাসী লোকৰ থাকিব নোৱাৰে। অহিংসাৰ দুটা ৰূপ আছে । এটা ভৌতিক। আনটো হ'ল মানসিক। ভৌতিক হিংসা অৰ্থাৎ যুঁজ - বাগৰ, কাজিয়া - পেচাল ৰাষ্ট্ৰই আইন কৰি বন্ধ কৰি দিব পাৰে। অশোকৰ দৰে একছত্ৰী সম্ৰাটে নিমিষতে যুদ্ধ বিৰোধী সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে। কিন্তু মানসিক হিংসা, যাৰ এটা ৰূপ হ'ল ঘৃণা (hatred)ৰ পৰা মনক মুক্ত কৰা সহজ নহয়। সম্ৰাট অশোকৰ শিলালিপিবোৰে মানুহৰ মনক কুপ্ৰবৃত্তি, হিংসা, দ্বেষ, ঘৃণা আদিৰ পৰা মুক্ত কৰাৰ এক প্ৰচেষ্টা। অশোকৰ অনুশাসন মালাবোৰৰ উদ্দেশ্যই হ'ল মনক সুস্থিৰ কৰি ৰাখি ইয়াক সকলো অপকৰ্মৰ পৰা নিলগত ৰখা। অশোকে তেৰ নং কালছী অনুশাসনত স্পষ্ট কৰি দিছে যে প্ৰিয়দৰ্শি ৰজা জনাই সকলোৰে বাবে মংগল, সংযম, সমব্যৱহাৰ আৰু আনন্দ কামনা কৰে। মহাত্মা গান্ধীয়ে ভাৰতীয় স্বাধীনতা আন্দোলনক অশোকৰ এই চাৰিটা আদৰ্শৰ মাজেৰে আগুৱাই নিছিল বুলি ভাবিবৰ থল আছে। অহিংসা আৰু মংগলৰ ধাৰণাৰ বাবেই গান্ধীয়ে তেওঁ চৌৰী চৌৰাৰ ঘটনা(৪ ফেব্ৰুৱাৰী, ১৯২২)ৰ পাছত হঠাতে অসহযোগ আন্দোলন বন্ধ কৰি দিয়ে। বাংলাদেশৰ শেহতীয়া ঘটনা, পাকিস্তান, ম্যানমাৰৰ ৰাজনৈতিক পৰিবেশ আদিয়ে আমাক ৰাজহুৱা জীৱনত হিংসাৰ ভয়ংকৰ পৰিণতিৰ বিষয়ে যিকোনো সময়ত আমাক সোঁৱৰাই দিব পাৰে। অসহযোগ আন্দোলনৰ মূল দৰ্শনটো আছিল অহিংসাৰ ওপৰত প্ৰতিস্থিত। একেদৰে অহিংসাৰ যোগেদি বৃটিছ শক্তি তথা সাম্ৰাজ্যবাদক বিৰোধিতা কৰিলে ইয়াৰ গতিপথ অসহযোগৰ দ্বাৰা পৰিচালিত হ'ব লাগিব। অহিংসা আৰু অসহযোগ যেতিয়া একেলগে থিয় হ'ব, তেতিয়া জীৱনৰ প্ৰতিটো ক্ষেত্ৰতেই বিৰোধী শক্তিক বৰ্জন কৰিব লাগিব। এই বৰ্জন জীৱন নিৰ্বাহৰ প্ৰণালী (mode of living) ৰ সৈতে জড়িত হৈ পৰিব। সেই বাবে পিন্ধা- উৰা, শিক্ষা-দীক্ষা, বিভিন্ন অৰ্থনৈতিক ক্ষেত্ৰ আদিত সমগ্ৰ ভাৰতবাসীৰ বাবে নতুন চিন্তাৰ প্ৰয়োজন হব। সেই চিন্তাই ব্যক্তিগত আৰু সামাজিক - দুয়োটা কথাক চুই যাব। সেইবাবে গান্ধীয়ে উকীল সকলক বৃটিছে প্ৰতিষ্ঠা কৰা আদালত বৰ্জন কৰিব কৈছিল। তেনে কৰাৰ লগে লগে বৃটিছ শাসনৰ মূল কাঠামোটো ভাঙি যাব। বিদেশী বস্ত্ৰ বৰ্জন কৰাৰ লগে লগে অৰ্থনৈতিক দাসত্বৰ ওৰ পৰিব। যঁতৰৰ ব্যৱহাৰৰ লগে লগে অৰ্থনৈতিক স্বাধীনতাৰ বাট মুকলি হব। বিদেশী শিক্ষা বৰ্জন কৰাৰ লগে লগে সাম্ৰাজ্যবাদী বৃটিছ শক্তিয়ে কাকো মানসিক দাসত্বৰ ফালে ঠেলি দিব নোৱাৰিব। মানুহৰ মন হ'ব শক্তিশালী। তেতিয়াহে সত্যৰ সন্ধানত আগ্ৰহী ব্যক্তি সমাজত গঢ়ি উঠিব। গান্ধীৰ এটা প্ৰসিদ্ধ উক্তি হ'ল: " A weak minded man can never be a Satyagrahi." ঔপনিৱেশিক শিক্ষা পদ্ধতিয়ে মানুহৰ মন দুৰ্বল কৰে। এই দুৰ্বলতা স্বাধীনতাৰ প্ৰধান শত্ৰু।

ইতিহাসৰ অধ্যয়নে দেখুৱাই যে মহৎ চিন্তা সদায়ে পৰীক্ষা আৰু সমালোচনাৰ সন্মুখীন হয়। মহাত্মাৰ ক্ষেত্ৰত এই সমালোচনা আহিছিল আন এক অতুলনীয় প্ৰতিভা ৰবীন্দ্ৰনাথ ঠাকুৰৰ পৰা। ৰবীন্দ্ৰনাথ ঠাকুৰে গান্ধীৰ মূল কৰ্মপদ্ধতিটোকেই সমালোচনা কৰিছিল। গান্ধীৰ যি নিয়মানুৱৰ্তিতা (discipline) ৰ ধাৰণা, সেয়া ৰবীন্দ্ৰনাথৰ বাবে গ্ৰহণযোগ্য নহয়। ৰবীন্দ্ৰনাথৰ মতে গান্ধীৰ নিয়মানুৱৰ্তিতাৰ কঠোৰতাই ব্যক্তিৰ বিকাশক বাধাগ্ৰস্ত কৰিব পাৰে। একেদৰে ৰবীন্দ্ৰনাথে চৰকাৰী শিক্ষানুষ্ঠান বৰ্জন কৰা আৰু বিদেশী বস্ত্ৰ দাহ কৰা দুয়োটা কামেই গ্ৰহণযোগ্য বুলি ভবা নাছিল ( দ্ৰষ্টব্য : দ্য মহাত্মা এণ্ড দ্য প'য়েট: সম্পাদনা: সব্যসাচী ভট্টাচাৰ্য : এন বি টি)।

যোৱা ২৮ ছেপ্টেম্বৰ তাৰিখে গুৱাহাটীত অনুষ্ঠিত ২০ নং ব্ৰজমোহন শৰ্মা স্মাৰক বাৰ্ষিক বক্তৃতাত বুৰঞ্জীবিদ ৰুদ্ৰাংশু মুখাৰ্জীয়ে গান্ধী আৰু ৰবীন্দ্ৰনাথৰ বিতৰ্ক আৰু ভাৱনাৰ সৈতে জড়িত হৈ থকা সহিষ্ণুতা আৰু গণতান্ত্ৰিক ভাৱনাক বিতংকৈ উল্লেখ কৰিছে। বহুদিনৰ মূৰত ৰাজ্যখনৰ বৌদ্ধিক জগতত বহুসংখ্যক লোকে অংশগ্ৰহণ কৰা এই বক্তৃতাৰ বাতাৱৰণ আছিল অতি উৎসাহজনক। ৰুদ্ৰাংশু মুখাৰ্জীয়ে দুয়োগৰাকী মহৎ প্ৰতিভাৰ মাজত থকা নিয়মানুৱৰ্তিতা সম্পৰ্কীয় ধাৰণাৰ পাৰ্থক্যক আঙুলিয়াই দিছিল। কিন্তু তেওঁ ইয়াৰ মৌলিক কাৰণক ফঁহিয়াই চাব খোজা নাছিল। পৰৱৰ্তী সময়ত এই সম্পৰ্কত মোক কিছু কথা আঙুলিয়াই দিছিল অনুষ্ঠানটোত শ্ৰোতা ৰূপে থকা তীক্ষ্ণধী ব্যক্তি উত্তম কুমাৰ বৰঠাকুৰে। দৰাচলতে গান্ধীয়ে এক বিৰাট জনজাগৰণক অহিংস পদ্ধতিৰে আগুৱাই নিয়াৰ দায়িত্বক বহন কৰিব লগীয়া হৈছিল। নৈতিক শক্তি আৰু কেইটামান প্ৰমূল্যৰ বাহিৰে গান্ধীৰ হাতত বিশেষ কোনো সা -সৰ্জুলি নাছিল। সেইবাবে এই শৃংখলাক তৃণমূল পৰ্যায়লৈ লৈ যোৱাৰ দায়িত্ব গান্ধীয়ে বহন কৰিব লগাত পৰিছিল। উল্লেখ কৰিব পাৰি যে ১৯৪২ চনৰ গণবিপ্লৱৰ আগে আগে গান্ধীয়ে বহু লোকক ব্যক্তিগত সত্যাগ্ৰহৰ প্ৰশিক্ষণ দিছিল যাতে শীৰ্ষ নেতৃত্ব বৃটিছৰ দ্বাৰা কাৰাৰুদ্ধ হলেও আন্দোলনৰ পদ্ধতি আৰু লক্ষ্যত কোনো বিচ্যুতি নঘটে। আনহাতে ৰবীন্দ্ৰনাথৰ জীৱনত এনে বিশাল আয়োজনৰ কোনো প্ৰয়োজন নাছিল। তেওঁৰ বিচৰণ ক্ষেত্ৰ আছিল উপনিষদত বৰ্ণিত আনন্দৰ ধাৰণাৰে মানুহক সীমাহীন ত্ৰুটি বিচ্যুতি আৰু দুখ কষ্টৰ পৰা মুক্ত কৰাটো। তাত গণআন্দোলন পৰিচালনাৰ বাবে প্ৰয়োজনীয় নিয়ন্ত্ৰণৰ কোনো কথা নাই। মহাত্মাই যদি পাৰ্থিৱ জগতত ব্যক্তিৰ অস্তিত্ব আৰু অধিকাৰক সাব্যস্ত কৰিব খুজিছে, তাৰ বিপৰীতে গুৰুদেৱ ৰবীন্দ্ৰনাথে অপাৰ্থিৱ জগত অভিমুখে মানৱ আত্মাৰ মুক্তিৰ সন্ধান কৰিছে। ক'ব পাৰি যে, অকল নিয়ন্ত্ৰণেই নহয়, দুয়োজনৰ বাবে মুক্তিৰ ধাৰণাও বেলেগ বেলেগ হ'ব। কাৰণ যি দাসত্বৰ পৰা মুক্তি দুয়োজন মানুহে বিচাৰিছে, সেই দাসত্বৰ ধাৰণা দুয়োজনৰ বাবে পৃথক পৃথক। গান্ধীৰ দৃষ্টিত স্বাধীনতা সুনিয়ন্ত্ৰিত অনুশীলনৰ দ্বাৰাহে ব্যক্তি আৰু সমাজৰ জীৱনলৈ আহে। ৰবীন্দ্ৰনাথে একেবাৰতে মানুহক অতীন্দ্ৰিয় অনুভূতিৰ আলোকেৰে উজ্জীৱিত কৰি তুলিব খোজে। মহাত্মা গান্ধীয়ে বিকল্প পদ্ধতি প্ৰস্তুত কৰে ; ৰবীন্দ্ৰনাথে তেওঁৰ হাতত থকা পদ্ধতিৰেই সামৰি -সুতৰি, ঘঁহি -মাজি সকলোকে আনন্দৰ মাজলৈ আগুৱাই লৈ যাব খোজে। মনত ৰখাৰ দৰকাৰ যে উপযুক্ত গণতান্ত্ৰিক পৰিবেশ নহ'লে ব্যক্তিয়ে স্বাধীনতাৰ সোৱাদ লোৱা কঠিন।

# অসমীয়া ভাষাই লাভ কৰিলে ধ্ৰুপদী ভাষাৰ সন্মান

"সুৰদিসুৰীয়া মোৰ অসমীয়া ভাষা
জগত সভালৈ যাব
উজ্জ্বল
সুজ্জ্বল
কহিনুৰ পিন্ধি
হাঁহি জ্যোতিৰূপা হ'ব
চিৰ চেনেহী মোৰ ভাষা জননী"

অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰিলে। আমাৰ জাতীয় জীৱনৰ বাবে ঐতিহাসিক ক্ষণ। এই শুভ ক্ষণত আমি কৃতজ্ঞ তাৰে আমাৰ শ্ৰদ্ধা-সম্ভাষণ নিবেদন কৰিছোঁ ভাৰত ৰাষ্ট্ৰৰ সন্মানীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী মহোদয়, অসমৰ সন্মানীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল মহোদয়লৈ। আমি অনুভৱ কৰোঁ যে ভাৰত চৰকাৰৰ এই সিদ্ধান্তই আজি বিশ্বৰ বুকুত




**মৃদুস্মিতা শৰ্মা**

অসমীয়া ভাষাক প্ৰকৃত মৰ্যাদা প্ৰদান কৰিলে। পঞ্চম শতিকাৰ পৰাই যাত্ৰা আৰম্ভ কৰা অসমীয়া ভাষাৰ গৌৰৱময় যাত্ৰাক আজিৰ ৰাষ্ট্ৰীয় স্বীকৃতিয়ে অসমীয়া জাতিক মহীয়ান কৰিলে। এই শুভক্ষণত আমি বিশেষ ভাবে কৃতজ্ঞতাৰে সোঁৱৰণ কৰিছোঁ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্যিক ড° কুলধৰ শইকীয়া মহোদয়ক। অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়াৰ বাবে তেখেতে সুদীৰ্ঘ দিন এক পৰিশীলিত ৰূপত কৰ্ম সম্পাদন কৰি প্ৰক্ৰিয়াটোক আগবঢ়াই লৈ গৈছিল। তেখেতৰ পিছৰ কাৰ্যকালতো সাহিত্য সভাৰ হৈ এই প্ৰক্ৰিয়াটো আগবঢ়াই লৈ যোৱাৰ বাবে আনুষ্ঠানিক ভাবে দায়িত্ব অৰ্পণ কৰা হৈছিল চলিত বৰ্ষৰ সভাপতি সম্পাদকক। তেখেতসকলৰ লগতে এই কাৰ্যৰ লগত জড়িত প্ৰতিগৰাকী অসম মাতৃৰ সু-সন্তানলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।আহক আমি সকলোৱে মিলি আমাৰ জাতি, আমাৰ ভাষা, আমাৰ পৰম্পৰাক আগবঢ়াই লৈ যাওঁ।

# শৰতৰ মাদকতা আৰু শেৱালি ফুলৰ ঔষধি গুণ




**নিৰ্মালি বৰা হাজৰীকা,নগাঁও**

প্ৰকৃতিৰ আঁচলত মুখ গুজি আহিনৰ বোকোচাত উঠি আগমন ঘটিছে ছয় ঋতুৰ শ্ৰেষ্ঠ ঋতু শৰতৰ। শৰত মানেই শুভ্ৰ শেৱালি। শৰত মানেই নৈ পাৰত হালি-জালি নাচি উঠা বগা কহুৱা। নিয়ৰ কণাই দুবৰি বনত ৰ'দৰ পোহৰত মুকুতা মণিৰ সৃষ্টি কৰে। প্ৰকৃতিৰ বুকু লৈ সৌন্দৰ্যৰ সম্ভাৰ কঢ়িয়াই আনে শৰত ঋতুৱে। শৰত ঋতুৰ লগত শেৱালিৰ এক নিবিড় সম্পৰ্ক আছে। শেৱালিৰ অবিহনে শৰতৰ সৃষ্টি আধৰুৱা। কুলিৰ মাতে যেনেকৈ বসন্ত অহাৰ আগজাননী দিয়াৰ দৰে শেৱালিৰ সুবাসে দিয়ে শৰতৰ আগমনৰ বাতৰি। শৰত মানেই শুভ্ৰতা, স্নিগ্ধতাআৰু শেৱালিৰ মনোমোহা সুবাস। শৰত কেৱল এটি ঋতুৱেই নহয়, ই জন-জীৱনৰ উদ্ভাসিত নান্দনিকতা বাৰ্তাবাহক। শেৱালিৰ সুবাস শুভ্ৰতাই ক্লান্তি, অৱশাদ দূৰ কৰি জীৱনলৈ আনে আশাৰ পাপৰি।

ইংৰাজ কবি জন কীটছে 'ode to Autumn' ত কুঁৱলি আৰু ভৰপক ফলৰ বতৰ বুলি কৈছে।এইসময়তে আমলখি, জলফাই, পনিয়ল আদি ফলে পক ধৰে। শৰত মানেই উছৱৰ

*(বাৰপৃষ্ঠাত চাওক)*

# শৰতৰ শেৱালী



**ৰূপ ৰেখা ঠাকুৰ,দেৰগাঁও**

শেৱালী আছে বাবেই
শৰতৰ জোনাকৰ অনুভৱ হয়
মোৰ ঘৰত শেৱালী ফুলিলে
তোমাৰ ভৰি উঠেনে উশাহ?
আকাশত যেতিয়া মেঘ জমা হয়
শেৱালী তুমি ব্যাকুল হোৱা নে?
তিতিবলৈ জীৱন যমুনাৰ চঞ্চল জলধাৰাত
শৰতৰ জোনাক ৰাতি
তোমাৰ বাবেই আছে
ডাল ভৰি ফুলা শেৱালী জোপাৰ ফুল বোৰৰ বাহিৰে
কোনেও নাজানে এই কথা।

# কঁকালৰ বিষ

তাকে দেখি কোনো ব্যক্তিয়ে সুধিব আপোনাৰ কি হৈছে !যদি কয় যে কঁকালৰ বিষ অকণমান বাঢ়িছে(অকণমান ? নহয় বিষটো এই মুহূৰ্তত বেছিকৈ যন্ত্ৰণাদায়ক হৈ উঠিছে।) তেন্তে সন্মুখৰ ব্যক্তিগৰাকীয়ে আমাৰ প্ৰতি দেখুৱা সহানুভূতি আমাৰ বাবে বিৰক্তিকৰ হৈ উঠে ; আৰু লগতে নিজেই ইমান যন্ত্ৰণাক সহ্য কৰি থাকিও সেই যন্ত্ৰণাৰ আভাস যাতে নিজৰ মুখমণ্ডলত ফুটি নুঠে তাৰ বাবে আমাক বেছ কিছু আত্মসংযমৰ প্ৰয়োজন হয়। সেই আত্মসংযমখিনিয়ে কঁকালৰ বিষে দিয়া যন্ত্ৰণাক হৰুৱাব লগা হোৱাটো বেছ কিছু কষ্টৰ কাম। তেনেস্থলত যদি আপোনাক সহানুভূতি দেখুৱাৰ উদ্দেশ্যে সন্মুখৰ মানুহজনে নিজৰ কঁকালৰ বিষৰ বৃত্তান্ত শুনাবলৈ আৰম্ভ কৰে তেন্তে সেইসময়খিনিত ধৈৰ্য্য ধৰি আনৰ সহানুভূতি ভৰা উপদেশ শুনি থকা অৱস্থাত নিজৰ অৱস্থা শোচনীয় হয়গৈ ।গতিকে নিজৰ অৱস্থা অধিক শোচনীয় হ'বলৈ দিয়াতকৈ একো যেন হোৱাই নাই তেনেধৰণে অভিনয় কৰাতহে সময়ত অভ্যস্ত হৈ উঠা যায় ।সহ্য কৰিবলৈ কষ্টকৰ যদিও আমাৰ কঁকালখনহে বিষাইছে, গতিকে অসংবেদনশীল সহানুভূতি আৰু কঁকালৰ বিষ কমোৱা এসোপা উপদেশ নিদিলেও আমি সহজভাৱে চলি যাব পাৰো।বৰং বেছি সহজভাৱেহে চলি যাব পাৰো ।কাৰণ অভ্যস্ত হৈ উঠাৰ পিছত কঁকালৰ বিষটো আমাৰ বাবে "কঁকালৰ বিষহে" হয়গৈ !

বেছ দীৰ্ঘসময় ধৰি কঁকালৰ বিষক সহ্য কৰিবলগীয়া হ'লে সেই ব্যক্তিগৰাকীৰ সহনক্ষমতা যে বাঢ়ি যায় এয়া ধ্ৰুৱ সত্যৰ বিভাগত থ'ব পাৰি। চিকিৎসকৰ ওচৰলৈ যাব ঠিকেই।পিছে কঁকালৰ বিষ পানীলগা জ্বৰৰ দৰেটো নহয় ; যে নকমিলে ডাক্তৰৰ পৰামৰ্শ লৈওক ঔষধ খাওক আৰু সুস্থ হৈ যাঁওক। কঁকালৰ বিষৰ চিকিৎসাৰ ফলাফল ৫০/৫০ ত থাকে হয়টো ভাল হ'ব (অকণমান ভাল হ'ব), ন'হলে বেয়া হ'ব। কিন্তু কঁকালৰ বিষ ভাল হোৱাৰ কাহিনী সাধু কথাহে নেকি !


কঁকালৰ বিষ! মাজে মাজে আপুনি ঠিয় হৈ অনুভৱ কৰিব যেন লোৰ এডাল ৰড কঁকালত সোমাই থোৱা আছে।অকণমান ইফাল-সিফাল হোৱা মানেই মৰণ। কিছুমান মানুহে আন (সংবেদনশীল) মানুহবোৰক কঠোৰ হ'বলৈ কয় ।কিন্তু আমিহে জানো কঁকালৰ বিষ সহ্য কৰি আমি কিমান কঠোৰ হৈছো। কঁকালৰ বিষ সহ্য কৰোতে কৰোতে সেই বিষটোক লৈ ইমানে অভ্যস্ত হৈ যোৱা যায় যে প্ৰতিদিনে সহ্য কৰিবলগীয়া হোৱা বিষটো যেন বিষ নহয়ে ।কিন্তু কেতিয়াবা এনেভাৱে যন্ত্ৰণা দিয়ে যে বিষটোৰ প্ৰতি গুৰুত্ব নিদিয়াকৈ থাকিব নোৱাৰি । অকণমান গুৰুত্ব দিলেই আৱিষ্কাৰ কৰো যে কেৱল কঁকালখনেই নহয় গোটেই পিঠিখনেই বিষত সাৰ পাই উঠিছে বিষটো বাঢ়ি বাঢ়ি কামিহাড় পৰ্য্যন্তক খামুচি ধৰিছে। তেতিয়া বিজ্ঞান আৰু যুক্তিক পাহৰি মনলৈ প্ৰশ্ন আহে 'ৰাজহাড়ডাল নোহোৱাকৈ চলিব পৰা নাযাব নেকি'? তথাপি ধৈৰ্য্য ধৰিবলৈ শিকা যায়।কাৰণ? বিভিন্ন সময়ত ব্যক্তিভেদে কাৰণবোৰ বেলেগ বেলেগ হয়। মোৰ? মোৰ কাৰণ বিৰক্তি ! আৰু এলাহ ! কঁকালৰ বিষকলৈ মোৰ দৃষ্টিভংগী এনেধৰণৰ -

এহ ! আলহী আহিছে থাকক দিয়ক। যেতিয়া যাবৰ মন যায় যাব।ন'গলে নাই।আমি একেলগে থাকিম। এনেও মই এলেহুৱা প্ৰাণী, গতিকে মই খেদিম বুলি ভয় কৰিবলগীয়া নাই।

ধৰি লওঁক কিছুদিন আগত আপুনি এটা বেয়া খবৰ শুনিছিল। সেয়া অনাকাংক্ষিত। কিন্তু সকলো মানি লোৱাৰ দৰে, এই বেয়াখিনিও লাহে লাহে মানি ল'বলৈ যত্ন কৰিছিল হে ঠিক তেনেসময়তে আপুনি আকৌ এটা বেয়া খবৰ পালে। আপোনাৰ কেনেকুৱা লাগিব ? আমাৰো এনেকুৱা লাগে যেতিয়া কঁকালৰ বিষৰ লগত আঠুৰ বিষটোও বিনামূল্যে পাওঁ।

আৰু এটা কথা কোনো উৎসৱ - পাৰ্বন, আনন্দ- বিষাদ, ঋতুৰ মধুৰ পৰিৱৰ্তন - এইবোৰৰ প্ৰতি কঁকালৰ বিষ সম্পূৰ্ণ নিৰ্বিকাৰ। আপুনি ক'ত আছে, কি স্থিতিত আছে, কি কৰি আছে, আপোনাৰ মানসিক স্থিতি কি - এইবোৰ একোৱে যেন কঁকালৰ বিষক টলাব নোৱাৰে। সকলোৰে প্ৰতি কঁকালৰ বিষটো উদাসীন। এনে উদাসীন নিৰ্বিকাৰ যন্ত্ৰণাক সহ্য কৰিবলৈ সহনশীল ক্ষমতা নিজেই নিজেই বাঢ়ি গৈ থাকে। কঁকালৰ বিষে সিদিনা মোক কাণৰ কাষত কৈছিলে - জীৱনে তোমাৰ ওপৰত দুখ - কষ্টৰ এসোপা বোজা জাপি দিলেও, সেই সময়খিনিত ধৈৰ্য্য ধৰি দুখ কষ্টখিনিক হাঁহি মুখে সহ্য কৰিবলৈ শিকা। তোমাৰ দুখ কষ্টৰ ওজনৰ আভাস আনক পাবলৈ নিদিবা । তাৰ পিছতো তোমাৰ কৰ্তব্য কৰি যাবলৈ চেষ্টা কৰিবা ( ন'হলে জীৱন আৰু সময়ে মিলি তোমাক পিটিব !) কিন্তু কোনেও তোমাৰ ভাগৰ দুখ কষ্টখিনি নিজৰ কৰি ল'ব নোৱাৰে বা সকলো ঠিক কৰি দিব নোৱাৰে, সেই দুখ কষ্টৰ সময়খিনিতে সময়ৰ নিষ্ঠুৰ ৰূপ দেখিবা ।আকৌ বিভিন্ন সময়ত সময়ৰ মমতাময় ৰূপ পাছত নিজেই দেখিবা ।গতিকে ধৈৰ্য্য শক্তি আৰু সহ্য শক্তিৰ সাধানা কৰিবলৈ শিকি জীৱনটোক সহজভাৱে লৈ ক'বা- এহ জীৱনহে, গতিকে চলি যাব!

# ভাৰতীয় পদাৰ্থ বিজ্ঞানী মেঘনাদ সাহা



**বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও**

১৮৯৩ চনৰ ৬ অক্টোবৰত ঢাকা চহৰত জন্মগ্ৰহন কৰা মেঘনাদ সাহা আছিল এজন জ্যোতি পদাৰ্থ বিজ্ঞানী। মেঘনাদ সাহাৰ দেউতাক আছিল জগন্নাথ সাহা আৰু মাক আছিল ভুৱনেশ্বৰী দেৱী। অতি দৰিদ্ৰ পৰিয়ালৰ মেঘনাদে তেওঁৰ চুবুৰীয়া অনন্ত কুমাৰ দাসৰ তত্বাবধানত ১৯০৫ চনত বৃত্তি লাভ কৰি মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ ঢাকা কলেজৰ পৰা বিজ্ঞান শাখাত ইণ্টাৰমিডিয়েট পৰীক্ষা পাছ কৰি কলিকতাৰ প্ৰেছিডেন্সী কলেজত গণিত বিষয়ত অনাৰ্চ সহ স্নাতক ডিগ্ৰী লাভ কৰে।

মেঘনাদ সাহাৰ প্ৰথমটো বৈজ্ঞানিক প্ৰবন্ধ প্ৰকাশ পাই ব্ৰিটেইনৰ বিখ্যাত ফিল'ছফিকেল আলোচনীত ১৯১৭ চনত। ১৯১৮ চনত বিদ্যুৎ চুম্বকীয় তত্বৰ বিষয়ে কৰা কামৰ বাবে কলিকতা বিশ্ববিদ্যালয়ে ডি এচ চি উপাধি প্ৰদান কৰে। ১৯২০ চনত ফিল'ছফিকেল আলোচনীত প্ৰকাশ পাই তেওঁৰ তাপীয় আয়নীকৰণ তত্ব। এই সূত্ৰৰ সহায়তে নক্ষত্ৰ সৃষ্টিৰ নানানটা উপাদানৰ আয়নীকৰণ অৱস্থাৰ বতৰা লোৱাতো সম্ভৱ হৈছিল।

সৌৰ ৰশ্মিৰ ওজন আৰু চাপ জুখিবৰ বাবে সাহাই এক বিশেষ ধৰণৰ আহিলা 'চাইক্ৰ'ট্ৰন' উদ্ভাৱন কৰি উলিয়াইছিল। বিজ্ঞান জনপ্ৰিয়কৰণৰ বাবে তেওঁ কেইবাখনো বিজ্ঞান অনুষ্ঠান প্ৰতিষ্ঠান গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ইয়াৰ ভিতৰত এলাহাবাদ বিশ্ববিদ্যালয়ৰ পদাৰ্থবিজ্ঞান বিভাগ আৰু কলিকতাৰ নিউক্লিয়াৰ পদাৰ্থ বিজ্ঞান বিভাগ অন্যতম। বিজ্ঞান আৰু সংস্কৃতি নামৰ প্ৰত্ৰিকাখন তেওঁৰেই প্ৰথম সম্পাদনা কৰি প্ৰকাশ কৰিছিল। সাহাৰ প্ৰেৰণাতে ১৯৩০ চনত ৰাষ্ট্ৰীয় বিজ্ঞান একাডেমী, ১৯৩৪ চনত স্থাপিত হোৱা ভাৰতীয় পদাৰ্থ বিজ্ঞান সমাজ আৰু ১৯৩৫ চনত ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠান গঢ় লৈ উঠিছিল। ১৯৪৩ চনত কলিকতাৰ সাহা নিউক্লিয়াৰ পদাৰ্থ বিজ্ঞান প্ৰতিষ্ঠান এইজনা বিজ্ঞানীৰ মহৎ অৱদান। বিজ্ঞান ভিত্তিক কিছু কথা উত্থাপন কৰাৰ উপযুক্ত স্থান সংসদৰ মজিয়া বুলি ভাবি তেওঁ ৰাজনীতিলৈ আহে আৰু ১৯৫২ চনত লোকসভাৰ সাংসদ নিৰ্বাচিত হয়। ১৯৫৬ চনৰ ১৬ ফেব্ৰুৱাৰীত এইজনা মহান বিজ্ঞানীয়ে ইহলীলা সম্বৰণ কৰে।

# আদানি গোষ্ঠীক ৯ হাজাৰ

পৰ্যটন উদ্যোগ গঢ়ি তুলিবলৈ দাবী জনায়। আনহাতে, অসমৰ ভুগৰ্ভত থকা প্ৰাকৃতিক গেছ উদ্‌ঘাটন আৰু তেল খননৰ বাবে হোলোঙাপাৰ গিবন অভয়াৰণ্য বেদান্ত গ্ৰুপক গতাই দিয়াৰ বিৰুদ্ধেও সৰৱ হয় আপৰ নেত্ৰী গৰাকী। প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ স্বাৰ্থত দুষ্প্ৰাপ্য হলৌ বান্দৰৰ বাসভূমি গিবন অভয়াৰণ্যত খননৰ পৰিকল্পনা প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনায়। ইপিনে, ৰাজ্য চৰকাৰে হকে-বিহকে চলোৱা উচ্ছেদ অভিযানৰো তীব্ৰ বিৰোধিতা কৰে পুনম গগৈয়ে। শেহতীয়া ভাৱে উচ্ছেদৰ বলি হোৱা সোণাপুৰৰ কচুতলীৰ ৪৭ টা পৰিয়ালে উচ্চতম ন্যায়ালয়ত দাখিল কৰা আবেদনৰ ভিত্তিত ন্যায়ালয়ে অসম চৰকাৰলৈ আদালত অৱমাননাৰ জাননী প্ৰেৰণ কৰে। এই সন্দৰ্ভত আপৰ নেত্ৰী গৰাকীয়ে চৰকাৰৰ উচ্ছেদৰ ৰাজনীতিৰ বিৰোধিতা কৰি কয় যে কোনো ধৰণৰ পুনৰ্বাসন বা পুনৰসংস্থাপনৰ ব্যৱস্থা নকৰাকৈ চৰকাৰে উচ্ছেদ বন্ধ কৰা উচিত। সংবাদমেলত আপৰ নেত্ৰী মিতালী গগৈ আৰু যুৱ নেতা লক্ষ্যজিৎ গগৈয়ো উপস্থিত থাকে।

# দৰঙত গান্ধী জয়ন্তী উদযাপন

নগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ প্ৰতাপ বৰদলৈ, দৰঙৰ অতিৰিক্ত জিলা আয়ুক্ত মানস শইকীয়া, লগতে জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী, প্ৰমুখ্যে বিশিষ্ট নাগৰিক আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। পুৱাৰ ভাগত দৰঙৰ জিলা আয়ুক্তৰ কাৰ্যালয় প্ৰাংগনত থকা মহামানৱ মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰি জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিয়ে জাতিৰ পিতালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখ্য যে গান্ধী জয়ন্তী কাৰ্যসূচীৰ পাতনি মেলা হয় জিলা তথ্য আৰু জনসংযোগ বিভাগৰ কাৰ্যালয়ৰ স্থিৰ অনুভাষ যন্ত্ৰৰ জৰিয়তে পৰিবেশন কৰা ভজন আৰু ভক্তিমূলক গীতেৰে।

# স্মাৰ্ট মিটাৰ বাতিলৰ

সমিতিৰ কৰ্মী সকলৰ উপৰিও উক্ত কাৰ্য্যসূচীত ৰাইজৰ দলৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি ভাস্ক' ডি শইকীয়া, উপ-সভাপতি অনিল বড়ো, সাধাৰণ সম্পাদক আজিজুৰ ৰহমান, সহ সম্পাদক প্ৰদীপ বৰুৱা, তথ্য আৰু প্ৰচাৰ সম্পাদক দেৱাংগ সৌৰভ গগৈ, সাংগঠনিক সম্পাদিকা মমী ৰায়চৌধুৰী, মুখপাত্ৰ নুৰ আলমকে ধৰি জাতীয় নাৰী বাহিনী আৰু জাতীয় যুৱ বাহিনীৰ বিষয়ববীয়া সকলেও অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি ভাস্ক' ডি শইকীয়াই কয় যে স্মাৰ্ট মিটাৰ যদি প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰীৰ গৃহৰাজ্যত বন্ধ, তেন্তে অসমত কিয়? তেখেতে আক্ষেপ কৰি কয় যে পুঁজিপতিৰ স্বাৰ্থত অসমৰ সাধাৰণ জনতাৰ প্ৰতিবাদক উপলুঙা কৰিছে হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে। অসমৰ জনসাধাৰণৰ ইচ্ছাৰ বিৰুদ্ধে গৈ হিমন্ত বিশ্ব শৰ্মাই কমিশ্যনৰ অংকতেই ঘৰে স্মাৰ্ট মিটাৰৰ ব্যৱস্থা কৰাৰ অভিযোগ উত্থাপন কৰে শইকীয়াই। আনহাতে মুখ্যমন্ত্ৰীক আদানীৰ স্বাৰ্থত কাম কৰাৰ বিপৰীতে ৰাজধৰ্ম পালন কৰি অসমৰ জনসাধাৰণৰ হৈ চিন্তা কৰিবলৈ আহ্বান জনাই ৰাইজৰ দলৰ সাধাৰণ সম্পাদক আজিজুৰ ৰহমানে। প্ৰতিবাদৰ পিছত কামৰূপ মহানগৰ জিলা সমিতিৰ সভাপতি শংকৰ লস্কৰ আৰু সাধাৰণ সম্পাদক ইন্দ্ৰজিত শৰ্মা আৰু পিংকী বৰপূজাৰীয়ে মুখ্য প্ৰবন্ধকৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী, শক্তিমন্ত্ৰী আৰু এপিডিচিএলৰ অধ্যক্ষলৈ এখন স্মাৰক পত্ৰও প্ৰেৰণ কৰে।

# নিয়াই গোৱালপাৰা

ভিত্তিত অভিযান চলায়। উল্লেখ্য যে জইছ-ই-মহম্মদক আৰ্থিকভাৱে সহায় কৰাৰ লক্ষ্যৰে এই লোককেইজনে বিভিন্ন এলেকাত ধন সংগ্ৰহৰ লগতে মৌলবাদী কাৰ্যকলাপৰ প্ৰতি উৎসাহিত কৰিছিল যুৱকসকলক। 'নিয়া'ই যোৱা সময়ছোৱাত সন্দেহজনক কাম-কাজত জড়িত থকা আৰু বহিঃদেশৰ সন্দেহজনক লোকলৈ ধনৰ লেনদেন কৰা কেইবাজনো লোকক চিনাক্ত কৰিছে। এই লোকসকল মুখ্যতঃ মহাৰাষ্ট্ৰ, দিল্লী, কৰ্ণাটক, উত্তৰ প্ৰদেশ, জম্মু-কাশ্মীৰ, অসম আৰু পশ্চিমবংগৰ। প্ৰায় ২০ ঘণ্টা ধৰি চলা এই অভিযানত 'নিয়া'ই বহু তথ্য উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। বিশেষকৈ নিষ্ক্ৰিয় হৈ পৰা জইছ-ই-মহম্মদক শক্তিশালী কৰাৰ বাবে আৰম্ভ কৰা চেষ্টাৰ তথ্যও 'নিয়া'ই লাভ কৰিছে। বিশেষকৈ সন্ত্ৰাসবাদী সংগঠনটোৰে নিজকে শক্তিশালী কৰিবলৈ ব্যাপক হাৰত ধন বিনিয়োগ কৰাৰো তথ্য লাভ কৰিছে 'নিয়া'ই। 'নিয়া'ৰ তথ্য অনুসৰি জইছ-ই-মহম্মদৰ সদস্যই বাংলাদেশৰ পৰা মেঘালয় হৈ অসমত প্ৰৱেশ কৰি মৌলবাদী কাম-কাজ অব্যাহত ৰাখিছে। একাংশ সংখ্যালঘু অধ্যুষিত এলেকাত যুৱকক উচটনিমূলক কথা কৈ মৌলবাদী কাম-কাজৰ প্ৰতি প্ৰভাৱান্বিত কৰাৰো চেষ্টা চলাইছে জইছ-ই-মহম্মদে। এইক্ষেত্ৰত সন্ত্ৰাসবাদী সংগঠনটোৱে লক্ষ্য কৰি লৈছে দৰিদ্ৰ লোকসকলক। 'নিয়া'ই গোৱালপাৰাত গ্ৰেপ্তাৰ কৰা সদস্যকেইজনৰ পৰা কেইবাটাও ম'বাইল উদ্ধাৰ কৰিছে। লক্ষণীয়ভাৱে এই ম'বাইল ফোনতে এক বিশেষ ছফ্টৱেৰ ডাউনলোড কৰা হৈছে। যি ছফ্টৱেৰৰ জৰিয়তে জইছ-ই-মহম্মদৰ সদস্যসকলে কথা-বতৰা পাতে। অচিৰেই গ্ৰেপ্তাৰ হোৱা লোককেইজনক 'নিয়া'ই নিজৰ জিম্মালৈ নি তদন্ত আৰম্ভ কৰিব।

# 'নিয়া'ৰ অভিযানে স্পষ্ট

আমাৰ বাবে এয়া জীৱন ধাৰণ কৰাটো বহু কঠিন হ'ব। মুখ্যমন্ত্ৰীয়ে জইছ-ই-মহম্মদৰ সক্ৰিয়তা সন্দৰ্ভত লগতে কয় যে এনে শক্তিসমূহ যোৱা তিনি মাহৰ পৰা অসমত ঘূৰি আছে। যেতিয়াই তেওঁলোকে গম পায় যে বনভূমি অথবা ট্ৰাইবেল বেল্টত উচ্ছেদ হ'ব, তেওঁলোকে মানুহক সমৱেত কৰাৰ কামত নামি পৰে। এনে বহু তথ্য আমাৰ হাতত আহি পৰিছে। এই লোকসকলে আইনৰ অন্তিম সীমাত থিয় দি কাম-কাজ অব্যাহত ৰাখিছে, যাতে তেওঁলোকে আইনবিৰোধী হিচাপে চিহ্নিত নহয়। কিন্তু আৰক্ষীয়ে এইসকল লোকৰ ওপৰত নজৰ দি আছে।

# মাজুলীৰ আৰক্ষী

অধীক্ষক ডাঃ মানিক মিলি, কমলাবাৰী সামূহিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসা বিষয়া ডাঃজয়ন্ত বৰা, সদস্য ক্ৰমে কৃষ্ণকমল শইকীয়া, দিপু বৰা, লীলাকান্ত ভট্ট, জীতেন দাস, উত্তম বৰা, মনালিছা পাটিৰে বক্তব্য প্ৰদান কৰি আৰক্ষী প্ৰশাসনৰ সৈতে জনসাধাৰণৰ মাজত সু-সম্পৰ্ক বৰ্তাই ৰখা আৰু সমাজত যাতে অসূয়া-অপ্ৰীতিয়ে বিৰাজ কৰিব নোৱাৰে তাৰ বাবে আৰক্ষীৰে সহযোগিতা আগবঢ়াই সুস্থ সমাজ গঢ়াত ব্ৰতী হ'ব বুলি বক্তব্য প্ৰদান কৰে । সভাত গড়মূৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পৰমিন্দ্ৰ সিং, মাজুলী আৰক্ষী থানা, কমলাবাৰীৰ ভাৰপ্ৰাপ্ত বিষয়া ঋতুপৰ্ণ গগৈ, জেংৰাইমুখ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হেমাংগ গগৈ প্ৰমুখ্যে তিনিওখন থানাৰ নতুন সমিতিৰ সদস্য সকলে অংশগ্ৰহণ কৰে । উল্লেখ যে মাজুলীৰ তিনিওখন আৰক্ষী থানাৰে তেৰজনীয়া সদস্যৰে একোখনকৈ নাগৰিক সমিতি থানা এলেকাৰ অন্তৰ্গত সচেতন নাগৰিকক লৈ গঠন কৰিছে ।

# সৰপাৰাত স্মৃতিগ্ৰন্থ

সদৌ অসম উকিল সন্থাৰ কাৰ্যকৰী সভাপতি মানস শৰণীয়া, অসম জাতীয় পৰিষদৰ যুটীয়া সম্পাদক পংকজ লোচন গোস্বামী, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ উপ-সভাপতি নৃপেন্দ্ৰ ঠাকুৰীয়া, বিশিষ্ট কণ্ঠ শিল্পী তথা গীতিকাৰ ডিজেন কাকতী, উপৰহালী প্ৰগতি সাহিত্য সভাৰ সভাপতি অশ্বিনী কুমাৰ তালুকদাৰ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কামৰূপ জিলা সমিতিৰ মুখ্য আহ্বায়ক মদন দাস আৰু অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া প্ৰদীপ তালুকদাৰে বিশিষ্ট অতিথিৰ ভাষণত চৰিন চৌধুৰীৰ জীৱনৰ ভিন-ভিন দিশৰ ওপৰত আলোকপাত কৰে। সভাৰ আত ধৰাৰ লগতে, সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু শেষত শলাগৰ শৰাই আগবঢ়াই পৰাগজ্যোতি প্ৰকাশনৰ সচিব, সাংবাদিক দীপক শৰ্মাই। সভাত ভালেমান বিশিষ্ট ব্যক্তি সাংবাদিক, সাহিত্যিক, সমাজকৰ্মীয়ে অংশগ্ৰহণ কৰে।

ENGLISH NEWS SECTION

# Governor inaugurates international conference Unraveling Indian Knowledge across Asia



Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya said that for India to contribute to a developed Asia, the ancient knowledge of the country should be integrated with modern science and make the ancient knowledge system more compatible to find answers of the modern day world. Inaugurating an international conference 'Unraveling Indian Knowledge across Asia' on the theme towards a developed Asia and a developed India, at IIT Guwahati here, Shri Acharya said that by connecting ancient Indian knowledge like yoga and ayurveda with modern science, attainment of improved and holistic physical and mental health becomes possible. The Governor said that the younger generation should be encouraged to study and practise ayurveda and other ancient Indian healing systems for a holistic treatment of diseases.

# Governor administers oath to Commissioners for Assam State Commission for Right to Public Services



Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya administered the oath of office to Ranjan Kumar Chakraborty and Bimal Chand Oswal as the Commissioners for Assam State Commission for Right to Public Services (ASCRTPS) at a solemn function held at Raj Bhavan. Earlier, Chief Secretary to the Government of Assam, Ravi Kota sought permission of the Governor to start the proceeding of the ceremony. The swearing-in ceremony was attended by Chief Commissioner of ASCRTPS Dr. Sujoy Lal Thaosen, Commissioner and Secretary to the Governor of Assam S.S.Meenakshi Sundaram, Secretary ARTPPG Manita Borgohain along with the senior officers of State government.

# Governor Celebrates Birthday with inmates of Mother Old Age Home



Guwahati, RB News: In a heartwarming display of community engagement, Governor Shri Lakshman Prasad Acharya visited Mother Old Age Home in Guwahati and interacted with the inmates there. It may be noted that Governor Shri Acharya who celebrated his 70th birthday on Thursday chose to spend the day with the residents of the Mother Old Age Home. During his visit, Governor Acharya engaged in meaningful interactions with the inmates, seeking their blessings, wisdom and experiences. The Governor expressed his profound joy for being able to celebrate his birthday with the sisters and mothers of the Old Age Home. "Their smiles are a source of inspiration. Moreover, spending time with these important members of our community, has reinforced my commitment to serving and honoring them", the Governor added. Shri Acharya moreover said, "A society develops only when every member of it enjoys right of living and dignity". He, therefore, reiterated on the need of raising awareness about the importance of supporting elderly people and enhance the care and facilities for life. The Governor said, "There is no better way to celebrate another year of my life than giving back to those who have paved the way for us for all these years". During his visit, the Governor shared cake, fruits, horlicks, sweets and other refreshments with the inmates.

# India lose their Women's T20 World Cup 2024 opener



RB News: India lost to New Zealand by 58 runs in their Women's T20 World Cup 2024 opener in Dubai on Friday. It is India's worst defeat (by runs) against New Zealand in women's T20I cricket. New Zealand put up a total of 160/4 and dismissed India for 102 in 19 overs. India will next face Pakistan on Sunday.

# Bangladesh win a Women's T20 World Cup match after 10 years



RB News: Bangladesh defeated Scotland by 16 runs in the Women's T20 World Cup 2024 opener in Sharjah. It is Bangladesh's first victory in a Women's T20 World Cup match in 10 years. They have now won a total of three matches in the history of Women's T20 World Cup, with their first two victories coming in the 2014 edition.

# ICC imposes one year ban on Sri Lanka's Praveen Jayawickrama



RB News: The International Cricket Council (ICC) imposed a one year ban on Sri Lankan spinner Praveen Jayawickrama for breaching the Anti Corruption Code. The international cricket governing body announced its decision on Monday, October 2. The bowler was charged by the regulating body with three counts of breaching the code.

# শৰতৰ মাদকতা আৰু শেৱালি

পয়োভৰ। গাঁৱৰ নিভাঁজ মৰমৰ সাক্ষী হৈ আহে কাতি বিহুৰ। তুলসীৰ তলেতলে, পথাৰত চাকি জ্বলে। শৰতে আগমন জনায় দুৰ্গতি নাশিনী দেৱী দুৰ্গা মাৰ।

মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱে শৰতৰ বৰ্ণনাত লিখিছে বাৰিষাৰ মেঘাচ্ছন্ন আকাশৰ কলীয়া ডাৱৰ শৰত অহাৰ লগে লগে আতৰি যায় আৰু আকাশ নিৰ্মল হৈ পৰে। বাৰিষা বোকা-পানীৰে পৰিপূৰ্ণ হৈ থকা জলাশয়বোৰত সংকটত থকা জীৱ- জন্তুবোৰৰ ভয়-শংকা দূৰ হয়। বাট-পথত থকা বোকা - আবৰ্জনা শুকাই পথ সুগম হয়। নৈ-বিল, জান-জুৰিৰ পানী নিৰ্মল হয়।

শৰত কালত অসমৰ জলবায়ু নাতিশীতোষ্ণ হয়। উৎকট গৰমো নাই আৰু ঠাণ্ডাও নাথাকে। এক সুন্দৰ পৰিৱেশ।

"জীৱতু শৰদঃ শতম "অৰ্থাৎ এশটা শৰৎ জীয়াই থাকা বা এশটা শৰতৰ সৌন্দৰ্য্য উপভোগ কৰা। এনেদৰে বয়োজেষ্ঠজনে আৰ্শীবাদ দিয়ে। আকাশ ফৰকাল হয়। বাৰিষাৰ কলীয়া মেঘ আতৰি শুকুলা মেঘবোৰ নীলিম আকাশত দৌৰি ফুৰে। ফৰিংফুটা জোনাক, তৰাৰ দীপাৱলী, শেৱালিৰ সুবাস আহঃ কি বিতোপন পৰিৱেশ।

শেৱালি ফুল যিদৰে মনোমোহা সেইদৰে ইয়াৰ গুণগত মানো অতি উচ্চ। কেৱল ফুলেই নহয় ইয়াৰ পাতৰো আছে বহু ঔষধি গুণ। ইয়াৰ কেইটামান গুণাগুণৰ বিষয়ে জানো আহক--

১) শেৱালি ফুলৰ কোমলীয়া পাতৰ ৰস উলিয়াই মৌ-জোলৰ লগত খালে জ্বৰ-কাহ ভাল হয়। মেলেৰিয়া জ্বৰৰ বাবেও ই উপকাৰী।

২) চুলি অকালতে পকা, সৰা আদি সমস্যাত ইয়াৰ গুটি পিহি মূৰত লগালে সুফল পোৱা যায়। শেৱালি পাতৰ কাঢ়ৰা বনাই খালেও উপকাৰ পোৱা যায়।

৩) কাহ-চৰ্দি লাগি মাত ভাগিলে শেৱালি পাতৰ ৰস খালে ভাল হয়। মৃগী ৰোগীক এই ৰস খোৱালে যথেষ্ট আৰোগ্য পায়।

৪) মুধমেহ ৰোগ নিয়ন্ত্ৰণৰ বাবে ইয়াৰ পাত বৰ উপকাৰী।সৰু ল'ৰা-ছোৱালীৰ কৃমিৰ সমস্যা থাকিলে শেৱালিৰ পাতৰ ৰস খালে ভাল হয়।

৫) বাত বিষ, গাঁঠিৰ বিষ আদিত শেৱালি ফুলৰ পাত অতি উপকাৰী। এই পাত পেষ্ট বনাই পানীত উতলাই আধা বনাই ঠাণ্ডা কৰি ৰাতিপুৱা খালি পেটত খালে জ্বৰ, গাৰ বিষ, গাঁঠিৰ বিষ, কঁকালৰ বিষ ভাল হয়।

৬) শেৱালি ফুল ভাজি বা আঞ্জা বনাই খাব পাৰি। সৰু মাছৰ লগত আঞ্জা খন বৰ তৃপ্তিদায়ক। লগতে ই পাচন শক্তি বৃদ্ধি কৰে।

৭) ইয়াৰ পাতৰ ৰসে তেজ পৰিস্কাৰ কৰে। বায়ু নাশ কৰে। বদহজম, বমি আদি নাশ কৰে।ৰোগ প্ৰতিৰোধক ক্ষমতা বৃদ্ধি কৰে।

৮) শেৱালি ফুল অলপ খাৰ দি খালে ঔষধি গুণ বেছি হয়।

৯) মহিলাৰ মাহেকীয়া সময়ত পেট বিষ হ'লে এই পাতৰ ৰস বৰ উপকাৰী।

১০) শেৱালি পাতত প্ৰচুৰ পৰিমাণে এণ্টিঅক্সিডেণ্ট থকাৰ বাবে ই ছালৰ বাবে বৰ উপকাৰী। ছালৰ এলাৰ্জি আদিত উপকাৰী।

JANASANYOG- 1877/24/6-Oct-24




ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286